**মাননীয় অধ্যক্ষ মহোদয় আৰু অসম বিধানসভাৰ সন্মানীয় সদস্যসকল,**

অসম বিধানসভাৰ এই পৱিত্ৰ সদনত আজি সম্বোধন কৰিবলৈ পাই মই যথেষ্ট সুখী অনুভৱ কৰিছো। এই পৱিত্ৰ মুহূৰ্তত সকলোলৈকে মোৰ সম্ভাষণ জ্ঞাপন কৰিছো।

বিগত বাজেট অধিবেশনৰ পৰৱৰ্তী কালছোৱা আমাৰ ৰাজ্যখনৰ বাবে যথেষ্ট গুৰুত্বপূৰ্ণ বুলি বিবেচিত হৈছে। শান্তি, সম্প্ৰীতি, ভ্ৰাতৃত্ববোধ আৰু এক উজ্বল ভৱিষ্যতৰ প্ৰতিশ্ৰুতিৰে আশিসপুষ্ট এইছোৱা সময়ৰ ওচৰত আমি কৃতজ্ঞ, যি অনাগত দিনবোৰৰ বাবে আমাৰ অগ্ৰদূতৰূপে পৰিগণিত হ'ব। মোৰ চৰকাৰে বিগত সপ্তাহত গুৱাহাটীত "এডভান্টেজ আছাম (Advantage Assam )"-শীৰ্ষক "বিশ্ব বিনিয়োগকাৰী সন্মিলন (Global Investors' Summit)" ৰ আয়োজন কৰে। এই সন্মিলনখনে আমাক দেশ তথা সমগ্ৰ বিশ্বৰে পৰা অহা শীৰ্ষ উদ্যোগপতি, ব্যৱসায়ী, দক্ষ ব্যক্তি, কূটনীতিবিদ আৰু নীতি নিৰ্ধাৰণকাৰীসকলৰ সন্মুখত ৰাজ্যখনক প্ৰদৰ্শন কৰাৰক্ষেত্ৰত এক সুযোগ প্ৰদান কৰিলে। এই সন্মিলনখনত উপস্থিত থাকি বহুমূলীয়া অৱদান আগবঢ়োৱাৰ বাবে আমাৰ মাননীয় প্ৰধানমন্ত্ৰী মহোদয়, বিশিষ্ট ব্যক্তিসকল, আমন্ত্ৰিত অতিথিসকল তথা অন্যান্য অংশগ্ৰহণকাৰীসকললৈ আমি ধন্যবাদ জ্ঞাপন কৰিছো। এই সন্মিলনত অতিথিসকলে অসমত বিনিয়োগৰ স্থলী হিচাপে থকা সম্ভাৱনীয়তা, অৰ্থনৈতিক বিকাশৰ এক নতুন চালিকাশক্তি আৰু আছিয়ান দেশসমূহৰ দুৱাৰমুখ হিচাপে থকা সম্ভাৱনীয়তাৰ এক সম্যক ধাৰণা লাভ কৰাৰ সুযোগ অৰ্জন কৰে। তেওঁলোকে এক সুখময় স্মৃতি আৰু ইতিবাচক ভাৱমূৰ্ত্তিৰে প্ৰচুৰ সম্ভাৱনীয়তা আৰু সমৃদ্ধিৰে পৰিপূৰ্ণ আমাৰ ৰাজ্যখনৰ পৰা প্ৰস্থান কৰে। মাননীয় সদস্যসকল, মই নিশ্চিত যে ৰাজ্যখনত হ'বলগীয়া গুৰুত্বপূৰ্ণ বিনিয়োগসমূহ অনাগত ভৱিষ্যতত নিশ্চয়

অনুভূত হ'ব। মোৰ চৰকাৰে বিনিয়োগকাৰীসকলৰ সৈতে নিবিড়ভাৱে কাম কৰি ৰাজ্যখনৰ বাবে কৰা তেওঁলোকৰ কল্যাণমূলক প্ৰয়াসক আদৰণি জনাব। অসমে "Ease of Doing Business"-মাপকাঠিৰে ইয়াৰ কাৰ্যসম্পাদন অব্যাহত ৰাখিছে আৰু ৰঙা দলিচাৰে বিনিয়োগকাৰীক আদৰাৰ বাণীৰে উদ্বুদ্ধ হৈছে। মোৰ চৰকাৰে এই বিনিয়োগ সন্মিলনে সৃষ্টি কৰা উদ্যমক বৰ্ত্তাই ৰাখিবলৈ অহোপুৰুষাৰ্থ কৰি যাব।

সন্মানীয় সদস্যসকল, এই কথা আমি আটায়ে জানো যে আমাৰ ৰাজ্যখনৰ প্ৰতি মাননীয় প্ৰধানমন্ত্ৰী মহোদয়ৰ যথেষ্ট সদিচ্ছা আছে। মাত্ৰ কেইমাহমান আগতে তেখেতে আমাৰ মাজলৈ আহি ভাৰতৰ দীৰ্ঘতম পথ-দলং হিচাপে খ্যাত "ধলা-শদিয়া দলং"খন ৰাষ্ট্ৰৰ জনগণৰ প্ৰতি উৎসৰ্গা কৰে। মোৰ চৰকাৰে দলংখনক "ড° ভূপেন হাজৰিকা সমন্বয় সেতু"-নামেৰে নামাকৰণ কৰিছে। ই কায়িক দূৰত্বকেই যে সংযোজিত কৰিছে এনে নহয়, লগতে এই দলংখনে অসম তথা উত্তৰ-পূবৰ দূৰণিবটীয়া এলেকাত বসবাস কৰা লোকসকলকো ওচৰ চপাই আনিছে। একেটা ভ্ৰমণৰ সময়তে মাননীয় প্ৰধানমন্ত্ৰীগৰাকীয়ে ভাৰতীয় কৃষি গৱেষণা পৰিষদৰ অসম চৌহদৰো আধাৰশিলা স্থাপন কৰে, যিখন প্ৰতিষ্ঠানে আমাৰ কৃষি অৰ্থনীতিৰ উত্তৰণত এক উল্লেখযোগ্য ভূমিকা পালন কৰিব। তদুপৰি, "পূবলৈ চোৱা নীতি (Look East Policy)" -ৰ ওপৰত তেখেতে আৰোপ কৰা গুৰুত্বই মোৰ চৰকাৰক নতুনকৈ গঠন কৰা "Act East Policy Affairs"- নামৰ বিভাগটোৰ জৰিয়তে কেতবোৰ পদক্ষেপ গ্ৰহণত উদ্বুদ্ধ কৰিছে, যাৰ দ্বাৰা ভাৰতৰ পূব দিশৰ চুবুৰীয়া ৰাষ্ট্ৰসমূহ, তথা আছিয়ান (ASEAN) দেশসমূহৰ সৈতে সহযোগিতাৰে কাম কৰি ইয়াৰ প্ৰচুৰ সম্ভাৱনীয়তাক কামত লগোৱাটো সম্ভৱ হৈ উঠিব।

সন্মানীয় সদস্যসকল, আমি আজি লগতে ভাৰতৰ তদানীন্তন ৰাষ্ট্ৰপতি মাননীয় শ্ৰী প্ৰণৱ মুখাৰ্জী মহোদয়, ধৰ্ম্মগুৰু দালাই লামা ডাঙৰীয়া, বিশিষ্ট

ব্যক্তিসকল, শিল্পীসকল তথা অন্যান্য অংশগ্ৰহণকাৰী সকলো ব্যক্তিলৈও ধন্যবাদ জ্ঞাপন কৰিছো, কিয়নো ২০১৭ চনৰ এপ্ৰিলত মোৰ চৰকাৰে ৰাজ্যখনত আয়োজন কৰা উচ্চ প্ৰশংসিত নদী মহোৎসৱ "নমামী ব্ৰহ্মপুত্ৰ"- ত তেখেতসকলে উপস্থিত থাকি আমাক কৃতাৰ্থ কৰিছিল। সেইদৰে, ২০১৭ চনৰ নৱেম্বৰত মোৰ চৰকাৰে বৰাক উপত্যকাত "নমামী বৰাক" - নামৰ নদী মহোৎসৱৰ আয়োজন কৰে, য'ত বৰাকৰ জনসাধাৰণে উলহ-মালহেৰে অংশগ্ৰহণ কৰে। সন্মানীয় সদস্যসকল, "নমামী বৰাক" উৎসৱত উপস্থিত থাকি প্ৰয়োজনীয় উদ্যম আৰু সহযোগিতাৰে এই মহান নদী মহোৎসৱক সাফল্যমণ্ডিত কৰি তোলাৰ বাবে আমি ভাৰতৰ মাননীয় ৰাষ্ট্ৰপতি শ্ৰীযুত ৰামনাথ কোবিন্দ মহোদয়, আমন্ত্ৰিত অতিথিসকল তথা অন্যান্য অংশগ্ৰহণকাৰীসকলৰ প্ৰতি কৃতজ্ঞ। এনেধৰণৰ প্ৰয়াসসমূহে সমাজৰ সকলো শ্ৰেণীৰ জনসাধাৰণকে শান্তি-সম্প্ৰীতি তথা একতাৰ দোলেৰে বান্ধি আমাৰ মহিমামণ্ডিত আৰু গৌৰৱোজ্জ্বল ঐতিহ্যৰ উদ্‌যাপনত সহায় কৰাৰ লগতে আমাৰ ৰাজ্যখনক বিশ্বৰ সন্মুখত অতুলনীয়ভাৱে দাঙি ধৰে।

মাননীয় সদস্যসকল, আপোনালোক নিশ্চয় এই কথাত একমত যে বিভিন্ন ক্ৰীড়া শাখাত আমাৰ যুৱ প্ৰজন্মৰ অংশগ্ৰহণ আৰু ক্ৰীড়া শৈলীৰ প্ৰদৰ্শনে ৰাজ্যখনত থকা তেওঁলোকৰ প্ৰচুৰ সম্ভাৱনীয়তাৰ কথাকেই প্ৰতিপন্ন কৰে। এইক্ষেত্ৰত অংকুশিতা বড়ো আৰু অন্যান্য ক্ৰীড়াবিদসকলে লাভ কৰা খিতাপৰ কথাকেই উনুকিয়াব পাৰি। আমি তেওঁলোকৰ সফলতাক স্বীকৃতি প্ৰদান কৰিছো। মোৰ চৰকাৰে এই সম্ভাৱনীয়তাক উচিতভাৱে কামত খটুৱাই আৰু ক্ৰীড়াৰ সা-সুবিধা অধিক সৃষ্টিৰে অসমক ভাৰতৰ ক্ৰীড়াৰ ৰাজধানী হিচাপে গঢ়ি তোলাৰ বাবে কাম কৰি আছে।

মাননীয় সদস্যসকল, আমাৰ যুৱ প্ৰজন্মৰ সম্ভাৱনীয়তাসমূহ বিদ্যালয়ৰ কাম-কাজসমূহৰ জৰিয়তে উদ্‌ঘাটন কৰিব পৰা হৈছে। এই ক্ষেত্ৰত, মোৰ চৰকাৰে আমাৰ বিদ্যালয়সমূহ তথা ছাত্ৰ-ছাত্ৰীসকলৰ কাম-কাজৰ মূল্যায়ণৰ বাবে সমগ্ৰ

ৰাজ্যখনতে “গুণোৎসৱ”- কাৰ্যসূচীৰ আয়োজন কৰিছে। ইয়াৰ জৰিয়তে বিদ্যালয়ৰ আন্তঃগাঁথনি, শৈক্ষিক কাম-কাজ, বিদ্যালয়ৰ লগত জড়িত বিষয়সমূহত অভিভাৱকক জড়িতকৰণ আৰু অন্যান্য দিশসমূহৰ ওপৰত গুৰুত্ব আৰোপ কৰিব বিচৰা হৈছে। এই কাৰ্য্যসূচীত আপোনালোকৰ বহুতে আমাৰ ছাত্ৰ-ছাত্ৰী তথা তেওঁলোকৰ শিক্ষক-শিক্ষয়িত্ৰীৰ সৈতে বিদ্যালয়ত মিলিত হৈ বহুমূলীয়া সময় খৰছ কৰিছে আৰু লগতে, শিক্ষা বিভাগৰ তথা বিভিন্ন বিভাগৰ চৰকাৰী বিষয়াসকলেও এই কাৰ্য্যসূচীত নিজকে নিয়োজিত কৰিছে। ই সঁচাকৈয়ে প্ৰশংসনীয়। মাননীয় সদস্যসকল, মই নিশ্চিত যে শৈক্ষিক মূল্যায়ণৰ এই “গুণোৎসৱ” কাৰ্যসূচীৰ পৰা লাভ কৰা সুফলসমূহে আমাৰ বিদ্যালয়সমূহৰ গুণগত মান নিশ্চয় উন্নীত কৰিব আৰু লগতে ই আমাৰ যুৱ প্ৰজন্মৰ শৈক্ষিক বুনিয়াদ তথা দক্ষতাৰ ভেটি মজবুত কৰাত বৰঙণি যোগাব।

সন্মানীয় সদস্যসকল, এক নিকা আৰু স্বচ্ছ প্ৰশাসন প্ৰদানৰ বাবে থকা প্ৰতিশ্ৰুতিবদ্ধতাৰ প্ৰতি মোৰ চৰকাৰ যথেষ্ট সচেতন, যি প্ৰশাসন, বিভিন্ন জাতি, জনজাতি, জনগোষ্ঠী, ধৰ্মীয় আৰু ভাষিক সংখ্যালঘু , জ্যেষ্ঠ নাগৰিক, মহিলা, শিশু, অন্যধৰণে সক্ষম ব্যক্তি, গ্ৰাম্য আৰু নগৰীয় দুখীয়া লোক, নিবনুৱা আৰু অন্যান্য পিছপৰা লোক নিৰ্বিশেষে আমাৰ সমাজৰ সকলো শ্ৰেণীৰ লোকৰ ন্যায্য স্বাৰ্থ সুৰক্ষিত ৰখাৰ প্ৰতিও দায়বদ্ধ। মোৰ চৰকাৰে ৰাজ্যখনৰ বৰাক উপত্যকা, ব্ৰহ্মপুত্ৰ উপত্যকা, পাৰ্বত্য এলেকা, ভৈয়াম আৰু চৰ এলেকাত বসবাস কৰা সমাজৰ সকলো শ্ৰেণীৰ তথা সকলো ধৰ্মৰ লোকৰ ক্ষীপ্ৰ আৰু সৰ্বাঙ্গীণ বিকাশৰ বাবে কাম কৰি আছে। ইয়াৰ বাবে চৰকাৰে সকলো সম্প্ৰদায়কে আস্থাত লৈ ৰাজ্যখনৰ প্ৰচুৰ প্ৰাকৃতিক সম্পদক উচিতভাৱে ব্যৱহাৰ কৰিব, শেহতীয়া গোলকীয় প্ৰযুক্তিসমূহ কামত খটুৱাব, আধুনিক ব্যৱস্থাপনা কৌশলসমূহ প্ৰয়োগ কৰিব আৰু এক অনুকূল বাতাৱৰণ সৃষ্টিত গুৰুত্ব দিব।

সন্মানীয় সদস্যসকল, ৰাজ্যখনৰ নিৰাপত্তাৰ দিশটোৰ ক্ষেত্ৰত সকলো

পৰ্যায়তে মোৰ চৰকাৰ সদায় যথেষ্ট সচেতন আৰু সক্ৰিয়। এই ক্ষেত্ৰত অন্যতম এক গুৰুত্বপূৰ্ণ প্ৰয়াস হৈছে- বৰ্ত্তমান চলি থকা ৰাষ্ট্ৰীয় নাগৰিকপঞ্জীৰ উন্নীতকৰণ প্ৰক্ৰিয়া। এই গুৰুত্বপূৰ্ণ প্ৰক্ৰিয়াটোৰ ফলাফলৰ বাবে আমি আগ্ৰহেৰে বাট চাই আছো। ভাৰতৰ মাননীয় উচ্চতম ন্যায়ালয়ৰ নিৰ্দ্দেশক্ৰমে ২০১৮ চনৰ ইংৰাজী নৱবৰ্ষৰ প্ৰাক্‌সন্ধ্যা ৰাষ্ট্ৰীয় নাগৰিকপঞ্জীৰ পৰীক্ষণ প্ৰক্ৰিয়াৰ আংশিক ফলাফলৰ প্ৰথমটো অংশ প্ৰকাশ কৰা হয়। যিহেতু এইখন এখন আংশিক তালিকাহে, সেয়েহে বৰ্ত্তমান সময়ত বহুতো প্ৰকৃত নাগৰিকৰ নাম বাদ পৰিব পাৰে। কিন্তু সেইটো কোনো উদ্বেগৰ বিষয় নহয়। ভাৰতৰ মাননীয় উচ্চতম ন্যায়ালয়ৰ তদাৰকত চলি থকা ৰাষ্ট্ৰীয় নাগৰিকপঞ্জীৰ উন্নীতকৰণ কামৰ ক্ষেত্ৰত ভাৰতৰ মহাপঞ্জীয়ক আৰু তেওঁৰ সহযোগীসকললৈ মোৰ চৰকাৰে সম্পূৰ্ণ সহযোগিতা আগবঢ়াই আছে, যাতে অসমৰ বাবে যথাসম্ভৱ অতি সোনকালে এখন সম্পূৰ্ণ আৰু শুদ্ধ নাগৰিকপঞ্জী প্ৰকাশ কৰিব পৰা যায়। মাননীয় সদস্যসকল, ৰাষ্ট্ৰীয় নাগৰিকপঞ্জী উন্নীতকৰণ প্ৰক্ৰিয়াৰ পৱিত্ৰ কামত নিয়োজিত হৈ থকা প্ৰতিগৰাকী লোকৰ আন্তৰিকতাপূৰ্ণ কঠোৰ শ্ৰম আৰু এই সমগ্ৰ প্ৰক্ৰিয়াটোৰ কালছোৱাত ৰাজ্যখনত শান্তি-শৃংখলা বজাই ৰখা সমূহ জনসাধাৰণৰ ধৈৰ্যশক্তিৰ আমি আটায়ে শলাগ লৈছো।

মাননীয় সদস্যসকল, মই আপোনালোকক জনাবলৈ বিচাৰো যে ৰাজ্যখনলৈ নতুনকৈ হ'ব পৰা অবৈধ অনুপ্ৰৱেশক ৰোধ কৰাৰ বাবে মোৰ চৰকাৰে প্ৰয়োজনীয় পদক্ষেপ গ্ৰহণ কৰিছে। ইয়াৰ বাবে আমি অসম-বাংলাদেশ সীমান্তৰ স্থল এলেকাৰ সীমান্ত ছীল কৰাৰ বাবে গ্ৰহণ কৰা পদক্ষেপসমূহৰ উপৰি আন্তঃৰাষ্ট্ৰীয় নদী সীমান্ত এলেকাও ছীল কৰাৰ বাবে প্ৰযুক্তি-ভিত্তিক ব্যৱস্থাৱলী ৰূপায়ণ কৰিবলৈ কেন্দ্ৰীয় চৰকাৰৰ সৈতে সমিলমিলেৰে কাম কৰি আছো।

মাননীয় সদস্যসকল, এতিয়া মই আপোনালোকৰ আগত মোৰ চৰকাৰৰ বিভিন্ন নীতি আৰু আঁচনিসমূহ বিতংভাৱে উত্থাপন কৰিব বিচাৰিছো। মই নিশ্চিত

যে আমাৰ সমূহীয়া প্ৰচেষ্টাই এইক্ষেত্ৰত সফলতা আনিবলৈ সক্ষম হ'ব। মোৰ চৰকাৰৰ কেতবোৰ গুৰুত্বপূৰ্ণ কাম-কাজ তথা অগ্ৰাধিকাৰৰ বিষয় তলত উল্লেখ কৰিলো—

**অসম চুক্তি ৰূপায়ণ ঃ**

অসম চুক্তি আখৰে-আখৰে আৰু ক্ষীপ্ৰতাৰে ৰূপায়ণ কৰাৰ প্ৰতি মোৰ চৰকাৰ প্ৰতিশ্ৰুতিবদ্ধ। গুৱাহাটীৰ খানাপাৰাত যোৱা ২০১৭ চনৰ ডিচেম্বৰত শ্বহীদ দিৱসৰ দিনা ফটো গেলেৰী-তথা-আৰ্কাইভসহ এটা নতুন পৃথক কাৰ্যালয় গৃহ উদ্বোধন কৰা হয়। লগতে, সেই একে দিনাই কামৰূপ(মহানগৰ) জিলাৰ পশ্চিম বৰাগাঁৱত স্থাপন কৰিবলৈ লোৱা শ্বহীদ উদ্যানৰ আধাৰশিলাও স্থাপন কৰা হয়। মোৰ চৰকাৰে অসম চুক্তিৰ ৬ নং দফা সম্পৰ্কীয় বিষয়সমূহ পৰীক্ষা কৰি চোৱাৰ বাবে থকা কেবিনেট উপ-সমিতিখন পুনৰ গঠন কৰি দিছে।

অশোক কাগজ কল সন্দৰ্ভত মোৰ চৰকাৰে ভাৰত চৰকাৰৰ সাহায্যত কেইবাটাও প্ৰকল্প ৰূপায়ণৰ কথা বিবেচনা কৰি আছে। এনে কেতবোৰ প্ৰকল্প হ'ল— ব্যক্তিগত / যুটীয়া খণ্ডত বৰ্ত্তমানৰ স্থানতে এটা কাগজ কল, এখন ঔদ্যোগিক উদ্যান, বয়-বস্তু পৰিবহণ / অটম'বাইল হাব্ স্থাপন, এক সংহত অৰ্থনৈতিক মণ্ডল আৰু ক্লাষ্টাৰ পেকেজৰ অধীনত এটা তথ্য প্ৰযুক্তি হাব্ আদি।

**সীমান্ত সুৰক্ষা আৰু উন্নয়ন ঃ**

ৰাজ্যখনৰ সীমান্ত অঞ্চলৰ ৰাইজৰ সৰ্বাংগীণ উন্নয়ন সাধন আৰু তেওঁলোকৰ মাজত নিৰাপত্তাৰ ভাব জগাই তুলিবলৈ মোৰ চৰকাৰে লক্ষ্য লৈছে। অৰুণাচল প্ৰদেশ, মেঘালয়, মনিপুৰ, মিজোৰাম, ত্ৰিপুৰা, নগালেণ্ড আৰু পশ্চিম বংগৰ দৰে চুবুৰীয়া ৰাজ্যসমূহৰ লগত সমন্বয় সৃষ্টিৰ অৰ্থে পদক্ষেপ গ্ৰহণ কৰা হৈছে। ভূটান আৰু বাংলাদেশৰ আন্তঃৰাষ্ট্ৰীয় সীমান্ত এলেকাৰ বাবে উন্নয়নমূলক আঁচনিসমূহ হাতত লোৱা হৈছে। নিৰাপত্তা আৰু উন্নয়ণৰ বাবে সকলো সীমান্তৱৰ্তী

জিলাকে পথ যোগাযোগ ব্যৱস্থাৰে সামৰি লোৱাৰ প্ৰতি অগ্ৰাধিকাৰ দিয়া হৈছে। সীমান্ত সমস্যা সমাধান কৰাৰ অৰ্থে ২০১৭ চনৰ এপ্ৰিলত মেঘালয়ৰ মুখ্যমন্ত্ৰীৰ লগত এখন সীমান্ত সদ্ভাৱনামূলক বৈঠক অনুষ্ঠিত কৰা হৈছে। “আদৰ্শ গাঁও” আৰু “সীমান্ত জ্ঞান আহৰণ আঁচনি” আৰম্ভ কৰা হৈছে। আঠখন গাঁৱক আদৰ্শ গাঁৱৰ বাবে চিনাক্ত কৰা হৈছে। সীমান্ত জ্ঞান আহৰণ আঁচনিখন হ’ল ছাত্ৰ-ছাত্ৰীসকলৰ বাবে ভ্ৰমণৰ জৰিয়তে জ্ঞান বিনিময় কৰোৱা এখন আঁচনি। বাংলাদেশৰ সৈতে ভূমি বিবাদ থকা লাথিটিল্লা-ডুমাবাৰী খণ্ডটোত বিবাদ দূৰ কৰা হৈছে আৰু এই খণ্ডটোৰ ৩ কি.মি. অংশত কাঁটাতাৰৰ বেৰ নিৰ্মাণৰ বাবে সীমান্ত খুঁটা স্থাপন কৰা হৈছে।

**এক্ট ইষ্ট পলিচি পৰিক্ৰমা ঃ**

মোৰ চৰকাৰে উত্তৰ-পূৰ্বাঞ্চলক আছীয়ান দেশসমূহৰ সৈতে অৰ্থনৈতিক সহযোগিতা বজাই ৰাখিবলৈ এই বিভাগটোক চুবুৰীয়া দক্ষিণ এছিয়া আৰু দক্ষিণ-পূব এছিয়াৰ সৈতে অসম আৰু উত্তৰ-পূবৰ ৰাজ্যসমূহৰ সম্পৰ্ক ৰক্ষা কৰিবলৈ বিভিন্ন পক্ষসমূহৰ সমন্বয় সাধোঁতা, নীতি নিৰ্দ্ধাৰণকাৰী আৰু প্ৰধান প্ৰকল্পসমূহৰ ক্ষিপ্ৰ ৰূপায়ণ কৰিব বিচৰা সংস্থা হিচাপে গঢ়ি তুলিছে। অলপতে অনুষ্ঠিত হৈ যোৱা বিশ্ব বিনিয়োগ সন্মিলনত আছীয়ান দেশসমূহৰ সৈতে উত্তৰ-পূব ভাৰতৰ অৰ্থনৈতিক সহযোগিতাৰ ওপৰত এখন বৈঠক অনুষ্ঠিত কৰা হয়।

**প্ৰশাসনীয় সংস্কাৰ আৰু প্ৰশিক্ষণ ঃ**

মোৰ চৰকাৰে পূৰ্বতে থকা ৫৫ টা সেৱাৰ উপৰিও ২০১২ ৰ সেৱা অধিকাৰ আইনৰ অধীনত ৩৯১ টা সেৱা অধিসূচিত কৰিছে। মুচৌৰীত থকা ৰাষ্ট্ৰীয় অকাডেমিৰ আৰ্হিত উমৰাংচুত এখন অকাডেমি আৰু গুৱাহাটী,বঙাইগাঁও, মাজুলী আৰু শিলচৰত তৃতীয় বৰ্গ আৰু চতুৰ্থ বৰ্গৰ কৰ্মচাৰীৰ বাবে চাৰিখন প্ৰশিক্ষণ প্ৰতিষ্ঠান স্থাপন কৰিৰবলৈ পদক্ষেপ হাতত লৈছে। বিশ্ব বেংকৰ সাহায্যপ্ৰাপ্ত অসম নাগৰিক কেন্দ্ৰীক সেৱা প্ৰদান প্ৰকল্প(ACCSDP) আৰম্ভ কৰা হৈছে।

**কৃষি ঃ**

কৃষি আৰু ইয়াৰ সহযোগী কাম কাজসমূহ মোৰ চৰকাৰৰ অন্যতম অগ্ৰাধিকাৰৰ বিষয়। ২০২২ চনৰ ভিতৰত কৃষকৰ আয় দুগুণ কৰাৰ অৰ্থে মোৰ চৰকাৰে হাতত লোৱা ব্যৱস্থাসমূহ হ'ল- মাটিৰ গুণাগুণ বৃদ্ধি, সময়মতে জলসিঞ্চন ব্যৱস্থাৰ নিশ্চিতিকৰণ, প্ৰাকৃতিক দুৰ্যোগৰ পৰা সুৰক্ষা প্ৰদান, বিত্তীয় প্ৰতিষ্ঠানসমূহৰ জৰিয়তে সাহায্য প্ৰদান, যন্ত্ৰপাতিৰ সুবিধা বৃদ্ধি, জৈৱিক কৃষিলৈ পৰিৱৰ্তন, বহনক্ষম উন্নয়নৰ লক্ষ্য গ্ৰহণ ইত্যাদি। ইতিমধ্যে প্ৰায় ২ লাখ ছইল হেলথ্ কাৰ্ড কৃষকসকলক প্ৰদান কৰা হৈছে। প্ৰধান মন্ত্ৰীৰ কৃষি চিচাঁই যোজনাৰ ৰূপায়নৰ অৰ্থে খণ্ড পৰ্যায় পৰ্যন্ত বিস্তৃত প্ৰকল্প প্ৰতিবেদন প্ৰস্তুত কৰা হৈছে। আৰ আই ডি এফ (RIDF)-ৰ অধীনত এক লাখ অগভীৰ নলী-নাদ (STW) আৰু দহ হাজাৰ সৌৰশক্তিৰে চালিত পাম্প কৃষক সকলক প্ৰদান কৰা হৈছে। মোৰ চৰকাৰে মুখ্য মন্ত্ৰীৰ সমগ্ৰ গ্ৰাম্য উন্নয়ণ যোজনাৰ (CMSGUY) অধীনত কৃষকসকললৈ ট্ৰেক্টৰ যোগান ধৰিছে।

মাহজাতীয় আৰু তৈল বীজ উৎপাদন বৃদ্ধিৰ অৰ্থে কেন্দ্ৰীয় পৃষ্ঠপোষকতা আৰু তৈল বীজ তথা তৈল পাম (Oil Palm)-ৰ ৰাষ্ট্ৰীয় অভিযানকে ধৰি বিভিন্ন আঁচনি হাতত লোৱা হৈছে। ৰাষ্ট্ৰীয় কৃষি বিকাশ যোজনা (RKVY)-ৰ অধীনত জৈৱিক কৃষি-কাৰ্য্য চলি আছে। এই বছৰত মোৰ চৰকাৰে ২ লাখতকৈও অধিক কিষাণ ক্ৰেডিট কাৰ্ড প্ৰদান কৰিছে।

**উদ্যান শস্য ঃ**

উদ্যান শস্য মোৰ চৰকাৰৰ বাবে এক অগ্ৰাধিকাৰপ্ৰাপ্ত খণ্ড। প্ৰমানীকৃত আলুৰ বীজ বিতৰণৰ কাম কৰা হৈছে। কৃষক সকলক তেওঁলোকৰ উৎপাদিত সামগ্ৰীসমূহৰ বিপণনত সহায়ক হোৱাকৈ ১০ টা "ফাৰ্মাৰচ প্ৰডিউচাৰচ কোম্পানী" গঠন কৰা হৈছে। উদ্যান শস্য চপোৱাৰ পিছত হোৱা ক্ষতি হ্ৰাস কৰাৰ উদ্দেশ্যে পদক্ষেপ হাতত লোৱা লৈছে। চৰকাৰী ৰাজ সাহায্যসহ ব্যক্তিগত খণ্ডৰ অধীনত

দুটা প্ৰাথমিক সংসাধন গোট আৰু এটা খাদ্য সংসাধন গোট স্থাপন কৰিবলৈ কাম আৰম্ভ কৰা হৈছে। কৃষি উদ্যান শস্য খণ্ডত প্লাষ্টিকেৰে নিৰ্মিত সঁজুলি ব্যৱহাৰক প্ৰসাৰ ঘটোৱাৰ অৰ্থে ৪ টা প্ৰদৰ্শন কেন্দ্ৰ (Demonstration Centre) স্থাপন কৰা হৈছে। নিৰ্বাচিত হিতাধিকাৰীসকলৰ মাজত ৮২ টা এগ্ৰো' টেক্সটাইল সা-সজুলি (Agro Textile Kits) বিতৰণ কৰা হৈছে।

**পশুপালন আৰু পশু চিকিৎসা ঃ**

পশুপালন আৰু দুগ্ধ খণ্ডৰ উন্নীতকৰণৰ বাবে মোৰ চৰকাৰে যথেষ্ট পদক্ষেপ গ্ৰহণ কৰিছে। চিকিৎসালয়, উপকেন্দ্ৰ, পাম আৰু বিভাগীয় কাৰ্যালয়সমূহকে ধৰি আন্তঃগাঁথনি উন্নয়ন তথা পশুধনৰ বীমাকৰণ, গৰু-মহৰ প্ৰজনন ক্ষমতা বৃদ্ধি আৰু জীৱ-জন্তু তথা হাঁহ কুকুৰাৰ উৎপাদন বৃদ্ধিৰ অৰ্থে পদক্ষেপ হাতত লোৱা হৈছে। বহুসংখ্যক দুগ্ধ সমবায় সমিতি সংগঠিত কৰা হৈছে আৰু দুগ্ধ পালকসকললৈ সাহায্য আগবঢ়োৱা হৈছে।

**মীন ঃ**

মোৰ চৰকাৰে ৰাজ্যখনত মাছৰ উৎপাদন বৃদ্ধি কৰিবলৈ আৰু নিয়োগৰ সুবিধা সৃষ্টিৰ অৰ্থে কেইবাখনো আঁচনি ৰূপায়ণ কৰি আছে। ২০১৬-১৭ বৰ্ষত আমাৰ মাছৰ উৎপাদন ৩.০৭ লাখ মেট্ৰিকটন হৈছেগৈ। ৩.৪২ লাখ মেট্ৰিকটনৰ নিৰ্ধাৰিত পৰিপুষ্টিমূলক প্ৰয়োজনীয়তাৰ বিপৰীতে ২০১৭-১৮ বৰ্ষত ৰাজ্যখনত ৩.১৯ মেট্ৰিকটন মাছ উৎপাদনৰ লক্ষ্য লোৱা হৈছে। নাবাৰ্ড আৰু গ্ৰাম্য আন্তঃগাঁথনি উন্নয়ন পুঁজিৰ সহযোগত ১০০০ হেক্টৰ ভূমিত ব্যক্তিগত পুখুৰী আৰু ৪৩০ হেক্টৰ ভূমিত ৰাজহুৱা পুখুৰী খন্দাৰ বৃহৎ আঁচনি ৰূপায়ণ কৰি থকা হৈছে। সহযোগিতাৰ চুক্তি (MoA) আৰু মুখ্যমন্ত্ৰীৰ সমগ্ৰ গ্ৰাম্য উন্নয়ন যোজনাৰ অধীনত মীন অভিযান সমিতিৰ নিয়মাৱলীসমূহত অনুমোদন জনোৱা হৈছে । জিন বেংক কাৰ্যসূচীৰ জৰিয়তে থলুৱা মাছৰ বিজ্ঞানসন্মত সংৰক্ষণৰ বাবে ৰহা মীন মহাবিদ্যালয়ৰ দ্বাৰা বিস্তৃত প্ৰকল্প প্ৰতিবেদন প্ৰস্তুত কৰা হৈছে।

**সমবায় ঃ**

এক গতিশীল সমবায় খণ্ড গঢ়ি তোলাৰ লক্ষ্যৰে ২০১৭-১৮ বৰ্ষত মোৰ চৰকাৰে ২১৯ টা উন্নয়ন খণ্ডৰ ১১৮ টাতে সক্ৰিয় পদক্ষেপ হাতত লৈছে। ৰাষ্ট্ৰীয় গ্ৰামীণ স্বাস্থ্য অভিযানৰ অধীনত নিৰ্মাণ কৰা ১৪৮ টা গ্ৰামীণ সংস্থাক (মহিলা আত্মসহায়ক গোটসমূহৰ ফেডাৰেচন) সমবায় সমিতিলৈ উন্নীত কৰা হৈছে। আন ৩০০০ টা গ্ৰামীণ সংস্থাক উন্নীতকৰণৰ প্ৰচেষ্টা চলি আছে। উৎপাদিত সামগ্ৰীৰ বিপণনৰ বাবে 'সমবায় বিপণী' আৰু মহিলা সমবায়সমূহৰ সবলীকৰণৰ বাবে 'সমবায় সবলীকৰণ' নামৰ দুখন বিশেষ আঁচনি ৰূপায়ণ কৰি থকা হৈছে। নিয়ন্ত্ৰিত অৰ্থনীতিৰ সুফল আদায় কৰিবৰ বাবে ফেডাৰেচন গঠন কৰিবলৈ বহুমুখী মহিলা সমবায় সমিতিসমূহক উৎসাহিত কৰা হৈছে। দুগ্ধ সমবায় খণ্ডই উল্লেখনীয় অগ্ৰগতি প্ৰদৰ্শন কৰিছে। মৰিগাঁও, নগাঁও, কামৰূপ, নলবাৰী আৰু বৰপেটা জিলাত ১০৭ টা দুগ্ধ উৎপাদক সংস্থাক প্ৰাথমিক দুগ্ধ সমবায় সমিতি হিচাপে পঞ্জীয়ণ কৰিবৰ বাবে ৱামূল (পূৰ্বী)-এ উৎসাহিত কৰিছে। এন ডি ডি বি (NDDB) য়ে পৰিচালনাৰ দায়িত্ব লোৱাৰ পাছত যোৰহাট আৰু শিলচৰত ক্ৰমে ইমূল (EAMUL) আৰু কামূল (CAMUL)-ৰ কাম-কাজো আৰম্ভ কৰিব পৰা পৰ্যায়ত উপনীত হৈছে। মৰিগাঁৱৰ সীতাজখলা দুগ্ধ উন্নয়ন সমিতিয়ে ১৬৪ লাখ টকাৰ ঋণ লাভ কৰিছে। ৰহা, চিলাপথাৰ, সৰুপথাৰ আৰু কৰিমগঞ্জত প্ৰতিটোতে ২০০০ মেট্ৰিকটন সামৰ্থ্যসহ চাৰিটা শীতল ভঁৰাল স্থাপনৰ উপৰি মোৰ চৰকাৰে বৰ্ধিত সামৰ্থ্যৰ অধিক শীতল ভঁৰাল স্থাপনৰ কাম হাতত লৈছে।

**সাংস্কৃতিক পৰিক্ৰমা ঃ**

মোৰ চৰকাৰ অসমৰ চহকী আৰু বাৰেৰহণীয়া সাংস্কৃতিক ঐতিহ্যৰ প্ৰসাৰ আৰু সংৰক্ষণৰ বাবে প্ৰতিশ্ৰুতিবদ্ধ। কিছুসংখ্যক উল্লেখযোগ্য পদক্ষেপ হ'ল— লখিমপুৰৰ নাৰায়ণপুৰত শ্ৰীশ্ৰী মাধৱদেৱ কলাক্ষেত্ৰৰ নিৰ্মাণ, বৰপেটা জিলাৰ পাঠশালা, ওদালগুৰি জিলাৰ ভেৰগাঁও, ডিব্ৰুগড় জিলাৰ নাহৰকটীয়া, কাছাৰ

জিলাৰ চান্দপুৰ, সোণাইত জ্যোতিবিষ্ণু সাংস্কৃতিক প্ৰকল্প নিৰ্মাণ। জালুকবাৰীত ড° ভূপেন হাজৰিকা স্মাৰকৰ আভ্যন্তৰীণ কাম-কাজ প্ৰায় সম্পূৰ্ণ হৈছে। মোৰ চৰকাৰে ২০১৭ চনৰ অক্টোবৰ মাহত শ্ৰীমন্ত শংকৰদেৱ কলাক্ষেত্ৰত প্ৰথম গুৱাহাটী আন্তঃৰাষ্ট্ৰীয় চলচ্চিত্ৰ মহোৎসৱ অনুষ্ঠিত কৰিছে।

মোৰ চৰকাৰে মুঠ ১২৭টা পুৰাতাত্ত্বিক স্থান আৰু কীৰ্তিচিহ্ন সংৰক্ষণ কৰিছে, যাৰ কেইখনমানক ইতিমধ্যেই পৰ্যটকস্থলী হিচাপে গঢ়ি তোলা হৈছে। ভাৰতৰত্ন গোপীনাথ বৰদলৈৰ ১২৮ সংখ্যক জন্ম বাৰ্ষিকীৰ উপলক্ষ্যত ২০১৭ চনৰ জুন মাহত নগাঁও জিলাৰ ৰহাত ভাৰত ৰত্ন লোকপ্ৰিয় গোপীনাথ বৰদলৈ স্মাৰক সংগ্ৰহালয় পুনৰ মুকলি কৰা হয়। নগাঁও, যোৰহাট, গুৱাহাটী আৰু বঙাইগাঁও জিলা পুথিভঁৰালৰ উন্নীতকৰণৰ কাম-কাজ চলি আছে। বিশ্বনাথ চাৰিআলিত মহকুমা পুথি ভঁৰালৰ নিৰ্মাণকাৰ্য ইতিমধ্যে সম্পূৰ্ণ হৈছে।

**শিক্ষা ঃ**

মোৰ চৰকাৰে প্ৰাথমিক, মাধ্যমিক, উচ্চ আৰু কাৰিকৰী শিক্ষাকে ধৰি সমগ্ৰ শিক্ষা খণ্ডটোলৈ উচ্চ অগ্ৰাধিকাৰ প্ৰদান কৰিছে।

মোৰ চৰকাৰে ২০১৭ উচ্চতৰ মাধ্যামক শিক্ষান্ত পৰীক্ষাত শীৰ্ষ নম্বৰ লাভ কৰা ১,০০০ গৰাকী ছাত্ৰীৰ প্ৰতিগৰাকীলৈ এখনকৈ স্কুটি প্ৰদান কৰিছে। দাৰিদ্ৰ সীমাৰেখাৰ তলৰ পৰিয়ালৰ শিক্ষাৰ্থীসকললৈ বিনামূলীয়া নামভৰ্তিৰ আঁচনিখন কলা, বিজ্ঞান আৰু বাণিজ্য শাখাৰ স্নাতকোত্তৰ পৰ্যায়ৰ নামভৰ্তিলৈ প্ৰসাৰিত কৰা হৈছে। চলিত বৰ্ষত মোৰ চৰকাৰে মাচুল ৰেহাইৰ পৰিপেক্ষিতত মহাবিদ্যালয়লৈ ৭৮ কোটি টকা আদায় দিব। ২০ খন মহাবিদ্যালয়ত বৃত্তিমূলক পাঠ্যক্ৰম আৰম্ভ কৰা হৈছে আৰু এইসমূহৰ প্ৰতিখনে ২০ লাখকৈ টকা লাভ কৰিব। তিনিখন মহাবিদ্যালয় ক্ৰমে বজালী মহাবিদ্যালয়, হোজাই মহাবিদ্যালয় আৰু মাধৱদেৱ মহাবিদ্যালয়ক বিশ্ববিদ্যালয় পৰ্যায়লৈ উন্নীত কৰা হৈছে আৰু ক্ৰমে ভট্টদেৱ বিশ্ববিদ্যালয়, কবিগুৰু ৰবীন্দ্ৰনাথ ঠাকুৰ বিশ্ববিদ্যালয় আৰু শ্ৰীমন্ত

মাধৱদেৱ বিশ্ববিদ্যালয় হিচাপে নামাকৰণ কৰা হৈছে। মোৰ চৰকাৰে প্ৰাথমিক প্ৰস্তুতিমূলক কামবোৰ আৰম্ভ কৰিবলৈ এই বিশ্ববিদ্যালয় কেইখনৰ প্ৰতিখনলৈ ২ কোটিকৈ টকা প্ৰদান কৰিছে।

২০১৭-১৮ বৰ্ষৰ সময়চোৱাত, ঊনচল্লিছখন মহাবিদ্যালয়ৰ প্ৰতিখনলৈ মুঠ আৱন্টিত ধন ১ কোটিৰ পৰা প্ৰথম কিস্তি হিচাপে৫০ লাখ আন্তঃগাঁথনি অনুদান প্ৰদান কৰিছে। অসমৰ উনান্নব্বৈখন মহাবিদ্যালয়ত কেৱল এটাকৈ শাখা আছে, এই সকলোলৈকে পৰ্যায়ক্ৰমে অতিৰিক্ত শাখা প্ৰদান কৰা হ'ব। নগাঁৱৰ শ্ৰীমন্ত শংকৰদেৱ বিশ্ববিদ্যালয়লৈ ৩.৫ কোটি টকা প্ৰদান কৰা হৈছে, ইয়াৰ নিৰ্মাণ কাৰ্য চলি আছে। মোৰ চৰকাৰে ৫ খন পণ্ডিত দীনদয়াল আদৰ্শ মহাবিদ্যালয়ত ২৭১ টা শিক্ষক আৰু অনা-শিক্ষকৰ পদ সৃষ্টি কৰিছে। মাজুলী মহাবিদ্যালয়ত স্নাকোত্তৰ শ্ৰেণী আৰম্ভ কৰা হ'ব। মোৰ চৰকাৰে মহাবিদ্যালয়খনলৈ ৫০ লাখ টকা প্ৰদান কৰিছে।

ৰাজ্যখনত কাৰিকৰী শিক্ষা উন্নীত কৰিবলৈ কৰিমগঞ্জত এখন নতুন অভিযান্ত্ৰিক মহাবিদ্যালয় আৰু বিভিন্ন জিলাত ১১ খন নতুন পলিটেকনিক মুকলি কৰা হৈছে।

মোৰ চৰকাৰে বিদ্যালয় এৰা শিশুৰ সংখ্যা হ্ৰাস কৰাৰ লগতে মাধ্যমিক পৰ্যায়ত সকলো শিশুৰ বাবে সমভাৱে তথা বিনামূলীয়াকৈ শিক্ষা উপলব্ধ কৰোৱাৰ ক্ষেত্ৰত গুৰুত্ব প্ৰদান কৰিছে। এই লক্ষ্যত উপনীত হ'বলৈ মোৰ চৰকাৰে সমাজৰ দুখীয়া শ্ৰেণীৰ ছাত্ৰ-ছাত্ৰীসকলৰ নামভৰ্তি মাচুল, টিউশ্যন মাচুল আৰু পৰীক্ষাৰ মাচুল ৰেহাই দিছে, যাৰ ফল স্বৰূপে ৪ লাখ ছাত্ৰ-ছাত্ৰী উপকৃত হৈছে। চলিত বৰ্ষত মোৰ চৰকাৰে বিদ্যালয়ৰ স্বীকৃতি মাচুলো ৰেহাই দিবলৈ সিদ্ধান্ত গ্ৰহণ কৰিছে। শ্ৰেষ্ঠ শিক্ষকসকলক উৎসাহিত কৰিবলৈ মোৰ চৰকাৰে ১৭৫ গৰাকী শিক্ষকক পুৰস্কৃত কৰিছে। মোৰ চৰকাৰে ৰাষ্ট্ৰীয় মাধ্যমিক শিক্ষা অভিযানৰ অধীনত চৰকাৰী আৰু প্ৰাদেশীকৃত উচ্চ তথা উচ্চতৰ মাধ্যমিক বিদ্যালয়, চাহ বাগিছাৰ

বিদ্যালয় আৰু সকলো আদৰ্শ বিদ্যালয়ৰ নৱম আৰু দশম শ্ৰেণীৰ সকলো ছাত্ৰ-ছাত্ৰীলৈ বিনামূলীয়া পাঠ্যপুথি প্ৰদান কৰিছে।

মোৰ চৰকাৰে মাধ্যমিক শিক্ষাৰ মান উন্নত কৰাৰ উদ্দেশ্যে ২৫০ খন চৰকাৰী আৰু প্ৰাদেশীকৃত মাধ্যমিক বিদ্যালয়ত ভাৰ্চুৱেল শ্ৰেণীকোঠাৰ জৰিয়তে টেলি-শিক্ষা আৰম্ভ কৰিবলৈ সিদ্ধান্ত গ্ৰহণ কৰিছে। সকলো হাইস্কুল আৰু উচ্চতৰ মাধ্যমিক বিদ্যালয়ত এক ব্যাপক কম্পিউটাৰ শিক্ষা আঁচনি আৰম্ভ কৰিবলৈ আৰু আই চি টি-ৰ সাহায্যপ্ৰাপ্ত শিক্ষণ-শিকন সা-সুবিধা ৰূপায়ণৰ অৰ্থে মোৰ চৰকাৰে ড° বাণীকান্ত কাকতি কম্পিউটাৰ সাক্ষৰতা কাৰ্যসূচী নামেৰে এখন নতুন আঁচনি আৰম্ভ কৰিছে।

একেটা চৌহদতে থকা বা একেবাৰে ওচৰৰ অঞ্চলত থকা বিভিন্ন বিদ্যালয়ৰ সংলগ্নকৰণ তথা চামিলকৰণৰ এখন আঁচনি 'শিক্ষাক্ষেত্ৰ'ৰ অধীনত মোৰ চৰকাৰে ১৫২৭ খন মধ্য ইংৰাজী বিদ্যালয়, ৫৯৯ খন নিম্ন প্ৰাথমিক বিদ্যালয়ক ১৬৪৩ খন মাধ্যমিক বিদ্যালয়ৰ সৈতে সংলগ্ন কৰা হৈছে। মোৰ চৰকাৰে ২০৭ খন কন্যা বিদ্যালয়ক সহ-শিক্ষাৰ বিদ্যালয়লৈ ৰূপান্তৰ কৰাৰ সিদ্ধান্ত লৈছে। ৰাষ্ট্ৰীয় মাধ্যমিক শিক্ষা অভিযান (RMSA)ৰ অধীনত পৰৱৰ্তী শৈক্ষিক বৰ্ষৰ পৰা চি বি এছ ই পাঠ্যক্ৰমৰ সৈতে প্ৰথম শ্ৰেণীৰ পৰা দ্বাদশ শ্ৰেণীলৈকে ৯ খন আদৰ্শ বিদ্যালয়ক কাৰ্যক্ষম কৰি তোলা হ'ব। পৰৱৰ্তী শৈক্ষিক বৰ্ষৰ পৰা আওহতীয়া আৰু শৈক্ষিকভাৱে পিচপৰা খণ্ডত অৱস্থিত উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ চৌহদত ১১ টা ছাত্ৰী-নিবাসৰ কাম-কাজ আৰম্ভ কৰা হ'ব। ৯৫ খন ছিনিয়ৰ বিদ্যালয়ত প্ৰথম স্তৰৰ বৃত্তিমুখী শিক্ষাকে ধৰি ৫৭ খন ছিনিয়ৰ ছেকেণ্ডাৰী স্কুলত আই টি/ আই টি ই এছ আৰু ৰিটেইল ট্ৰেড- এই দুই শাখাত ৰাষ্ট্ৰীয় দক্ষতা অৰ্হতা ফ্ৰেমৱৰ্ক (এন এছ কিউএফ)ৰ অধীনত দুটা স্তৰৰ বৃত্তিমুখী শিক্ষা সম্পূৰ্ণ কৰা হৈছে।

**পৰিৱেশ আৰু বন ঃ**

ৰাজ্যখনত সেউজী আৱৰণ বৃদ্ধি কৰাৰ বাবে মোৰ চৰকাৰে বিভিন্ন পদক্ষেপ

হাতত লৈছে। বিগত বৰ্ষটোত প্ৰায় ৪ কোটি গছপুলিৰে সৈতে প্ৰায় ১৯০০০ হেক্টৰ ভূমিত গছপুলি ৰোপনৰ কাম কৰা হৈছে। কেম্পাৰ অধীনত এই সময়ছোৱাত নগাঁও, শোণিতপুৰ আৰু কামৰূপত ২০ হেক্টৰ ভূমিত আপুৰুগীয়া বৃক্ষ ৰোপন কৰা হৈছে। দীপৰ বিলৰ কাষত থলুৱা প্ৰজাতিৰ গছপুলি ৰোপনেৰে "মুখ্যমন্ত্ৰীৰ সেউজী উদ্যান" সৃষ্টি কৰা হৈছে। এই সময়ছোৱাতে গ্ৰীণ গুৱাহাটী প্ৰকল্পৰ অধীনত মহানগৰীখনত ২০ হেজাৰতকৈ অধিক গছপুলি ৰোপন কৰা হৈছে।

কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যান, পবিতৰা অভয়াৰণ্য আৰু মাজুলীৰ বানপানীৰ সময়ত নদী অঞ্চলত নিৰীক্ষণ ৰাখিবলৈ তথা চলন শক্তি বৃদ্ধি কৰিবলৈ মোৰ চৰকাৰে ১১ খন স্পীড বোট ক্ৰয় কৰিছে। বন ভূমি সুৰক্ষাৰ বাবে মোৰ চৰকাৰে SLR, ইনচাচ(Insas) ৰাইফল, এ.কে. চিৰিজ ৰাইফল ইত্যাদিৰ লেখীয়া আধুনীক অস্ত্ৰ শস্ত্ৰসমূহ ইতিমধ্যেই ক্ৰয় কৰিছে। নতুনকৈ গঠিত বিশেষ ব্যঘ্ৰ সুৰক্ষা বাহিনীৰ কনষ্টেব'ল পদৰ নিযুক্তি প্ৰক্ৰিয়াৰ প্ৰথম পৰ্যায় সম্পূৰ্ণ হৈছে।

দক্ষতা উন্নয়ন আঁচনিৰ অধীনত মোৰ চৰকাৰে গাঁওৰ যুৱক-যুৱতীসকলক জীৱন নিৰ্বাহত সহায় হোৱাকৈ মৌ পালন, শিপিনী, এম্ব'ডাৰি, পানী মেটেকাৰ পৰা উৎপাদিত দ্ৰব্য, হাঁহ কুকুৰা, গাহৰী, আচাৰ, জাম-জেলী ইত্যাদি প্ৰস্তুতৰ প্ৰশিক্ষণ প্ৰদান কৰিছে। বন্যপ্ৰাণী আৰু মানুহৰ সংঘাত উপশম হৈছে আন এক অগ্ৰাধিকাৰৰ বিষয়।

জলবায়ু পৰিৱৰ্তন আৰু গোলকীয়া উষ্ণতা আমাৰ সকলোৰে বাবে এক উদ্বেগৰ বিষয়। মোৰ চৰকাৰে এই ক্ষেত্ৰসমূহত যথেষ্ট গুৰুত্ব প্ৰদান কৰিছে। আমাৰ জৈৱ বিবিধতা সংৰক্ষণ, বনাঞ্চল সংৰক্ষণ আৰু পৰিৱেশতন্ত্ৰ ভাৰসমতাক সুৰক্ষা প্ৰদানৰ বাবে পদক্ষেপ হাতত লৈছে।

**খনিজ আৰু খনিজাত ঃ**

খনিজাত সম্পদসমূহৰ উন্নয়নৰ বাবে মোৰ চৰকাৰে বিভিন্ন পদক্ষেপ

হাতত লৈছে। ২০১৭-১৮ বিত্তীয় বৰ্ষৰ নৱেম্বৰ মাহলৈকে মোৰ চৰকাৰে ১০ টা পেট্ৰ'লিয়াম মাইনিং লীজ তেল আৰু প্ৰাকৃতিক গেছ নিগম লিমিটেডলৈ আৰু ২ টা পেট্ৰ'লিয়াম মাইনিং লীজ অইল ইণ্ডিয়া লিমিটেডলৈ মঞ্জুৰি দিছে। জিলা খনিজ ফাউণ্ডেচন ৰাজ্যখনৰ ৩৩ খন জিলাৰ সকলোতে গঠন কৰা হৈছে। জি পি এচ সহায়ক যান-বাহন নিৰীক্ষণ পদ্ধতি এটা স্থাপনৰ বাবেও কাম চলি আছে যাতে ইয়াৰ সহায়েৰে ৰাজ্যখনৰ খনিজজাত উৎপাদনৰ পৰিবহন যথাযথভাৱে নিৰীক্ষণ কৰি ৰাজ্যখনৰ ক্ষুদ্ৰ খনিজাত সামগ্ৰীৰ অবৈধ বেহা ৰোধ কৰিব পৰা যায়।

**আবকাৰী ঃ**

মোৰ চৰকাৰে আবকাৰী ৰাজহ সংগ্ৰহ বৃদ্ধি কৰিবলৈ বিভিন্ন পদক্ষেপ হাতত লৈছে। ২০১৬-১৭ বৰ্ষৰ সময়ছোৱাত আবকাৰী ৰাজহ সংগ্ৰহৰ পৰিমাণ আছিল ৯৬৬ কোটি টকা যিটো পূৰ্বৰ বৰ্ষৰ তুলনাত ১৬৬ কোটি টকা বেছি। চলিত বিত্তীয় বৰ্ষৰ ২০১৭ ৰ ডিচেম্বৰলৈকে বিগত বৰ্ষৰ উক্ত সময়ছোৱাৰ তুলনাত আবকাৰী ৰাজহ ২০% বৃদ্ধি হৈছে। মোৰ চৰকাৰে আবকাৰী অনলাইন প'ৰ্টেল www.assamexcise.in শুভাৰম্ভ কৰিছে আৰু আবকাৰী ৰাজহ সংগ্ৰহ অনুজ্ঞাপত্ৰ, পাৰমিট আৰু ব্ৰেণ্ড লেবেল পঞ্জীয়নকে ধৰি সকলো ক্ষেত্ৰতে সম্পূৰ্ণ অন্‌লাইন আৰু ডিজিটেল ব্যৱস্থা প্ৰৱৰ্তন কৰিছে। মোৰ চৰকাৰে বৰ্তমানে থকা দেশীয় সুৰাৰ মহল ব্যৱস্থাৰ সলনি এই দেশীয় সুৰাসমূহ ভাৰতত প্ৰস্তুত কৰা বিদেশী সুৰাৰ নিচিনাকৈ বিজ্ঞানসন্মতভাৱে বটলিং কৰা পদ্ধতি এটা প্ৰৱৰ্তন কৰিছে। এই নতুন নীতিৰ জৰিয়তে সামাজিক স্বাস্থ্যৰ উন্নতিৰ লগতে আবকাৰী ৰাজহ বৃদ্ধি হ'ব বুলি আশা কৰা হৈছে।

ৰাজ্যখনৰ বিভিন্ন জনগোষ্ঠীয় লোকসকলৰ মাজৰ ধৰ্মীয় উৎসৱ সমূহত পৰম্পৰাগত ঘৰতে প্ৰস্তুত কৰা সুৰা পান কৰাতো এক পৰিচিত পৰম্পৰা। যদিহে এই সুৰাক বিজ্ঞানসন্মতভাৱে গ্ৰহণ কৰা হয়, তেতিয়াহলে এই পৰম্পৰাগত সুৰাই

জনপ্ৰিয়তাৰ প্ৰচুৰ সম্ভাৱণীয়তা বহন কৰিব। এই সুৰাসমূহক বাণিজ্যিক আওতালৈ আনিব পাৰিলে পৰ্যটকসকলে ৰাজ্যখনৰ ঘৰুৱাভাৱে উৎপাদিত বিভিন্ন প্ৰকাৰৰ সুৰাৰ সোৱাদ লাভ কৰিব পাৰিব। ইয়ে ঘৰতে প্ৰস্তুত কৰা পৰম্পৰাগত সুৰাৰ লগত জড়িত মহিলাসকলক নিয়োজনৰ সুবিধাৰ সৃষ্টি কৰিব। মোৰ চৰকাৰে এই সম্বন্ধীয় এক নতুন নীতি ইতিমধ্যে অনুমোদন জনাই ইয়াৰ বাবে জাননী জাৰি কৰিছে।

**বিত্ত ঃ**

২০১৬-১৭ বৰ্ষৰ ৰাজ্যিক বাজেটত ঘোষণা কৰা অনুসৰি মোৰ চৰকাৰে পৰিকল্পনা আৰু পৰিকল্পনা বহিৰ্ভূত শিতান দুটাক একত্ৰিত কৰিছে আৰু ২০১৭-১৮ বৰ্ষৰ বাজেতখন মূলধনী শিতান আৰু ৰাজহ শিতানেৰে সৈতে উত্থাপন কৰিছিল। ২০১৭-১৮ বৰ্ষৰ বাজেটখন পৰিকল্পনা আৰু পৰিকল্পনা বহিভূত শিতানৰ শ্ৰেণী বিভাজন নকৰাকৈ প্ৰস্তুত কৰা প্ৰথম বাজেট হিচাপে ভবিষ্যতে স্মৰণীয় হৈ ৰ'ব।

সন্মানীয় সদস্যসকল, এই বাজেট অধিবেশনখনত মোৰ চৰকাৰে ই-বাজেট ব্যৱস্থাৰ প্ৰৱৰ্ত্তন কৰিব। ইয়াৰ অধীনত আপোনালোকক ছপা কৰা বাজেট পুঁথিৰ পৰিবৰ্তে আগতে ভৰাই থোৱা বাজেট তথ্য সম্বলিত টেবলেট প্ৰদান কৰা হ'ব। তদুপৰি এইবাৰ দিব্যাংগ, জ্যেষ্ঠ নাগৰিক, মহিলা আৰু শিশুৰ উন্নয়ণৰ অৰ্থে বিত্তীয় পুঁজি আবন্টনৰ ওপৰত যথেষ্ট গুৰুত্ব প্ৰদানেৰে এছ ডি জি সম্পৰ্কিত আউটকাম (Outcome) বাজেট উত্থাপন কৰা হ'ব।

মোৰ চৰকাৰে সপ্তম অসম দৰমহা আৰু উৎপাদনশীলতা আয়োগৰ অনুমোদনসমূহ গ্ৰহণ কৰিছে আৰু ২০১৬ চনৰ ১ এপ্ৰিলৰ পৰা এই অনুমোদনসমূহ ৰূপায়ণ কৰিছে। ২০১৭ চনৰ মে' মাহত পঞ্চম অসম ৰাজ্যিক বিত্ত আয়োগৰ চূড়ান্ত প্ৰতিবেদনখন গ্ৰহণ কৰা হৈছে। টি এছ পি, এচ চি এচ পি, ষষ্ঠ অনুসূচীৰ অধীনৰ ৩ খন স্বায়ত্বশাসিত পৰিষদ আৰু ৰাজ্যখনৰ ৬ খন স্বায়ত্বশাসিত পৰিষদলৈ পুঁজি হস্তান্তৰৰ প্ৰক্ৰিয়াটো শৃংখলাবদ্ধ কৰি তোলাৰ অৰ্থে মোৰ চৰকাৰে এখন এজনীয়া আয়োগ গঠন কৰি দিছে।

মোৰ চৰকাৰে ৫ বছৰৰ ভিতৰত কৃষিৰ আয় দুগুন কৰি তোলাৰ অৰ্থে মুখ্যমন্ত্ৰী সমগ্ৰ গ্ৰাম্য উন্নয়ন যোজনা নামৰ এক বৃহৎ অভিযান আৰম্ভ কৰিছে। এই অভিযানে ৫ বছৰৰ ভিতৰত ২৫,৪২৫ খন গাঁও সামৰি লবলৈ আৰু প্ৰতিখন ৰাজহ গাঁওলৈকে ১.২ কোটি টকা হস্তান্তৰ কৰিবলৈ লক্ষ্য স্থিৰ কৰিছে। ২০১৭-১৮ বিত্তীয় বৰ্ষৰ বাজেটত মোৰ চৰকাৰে কৃষকসকলে লোৱা ১ লাখ টকা পৰ্যন্ত কৃষি ঋনৰ ওপৰত ১০০% সূত ৰেহাই যোগে শস্য ঋনৰ ওপৰত ০% সূতৰ প্ৰস্তাৱ কৰিছে। এই আঁচনি ৰূপায়নৰ নীতি নিৰ্দেশনাসমূহ ২০১৭ চনৰ জুলাই মাহত জাৰি কৰা হৈছে।

জি এছ টি সম্পৰ্কিত ১২২ তম সংবিধান সংশোধনী বিধেয়কখনত সন্মতি প্ৰদানৰ ক্ষেত্ৰত অসমে দেশৰ ভিতৰতে প্ৰথম ৰাজ্য হিচাপে পৰিগণিত হোৱাৰ গৌৰৱ অৰ্জন কৰিছে। যথেষ্ট সুচল আৰু মসৃণভাৱে অসমক জি এছ টি ব্যৱস্থাৰ অধীনলৈ অনা হৈছে। ২৩ তম জি এছ টি পৰিষদৰ বৈঠকখন ২০১৭ চনৰ নৱেম্বৰ মাহত গুৱাহাটীত আমি সফলতাৰে অনুষ্ঠিত কৰিছো। এই পবিত্ৰ সদনত দিয়া প্ৰতিশ্ৰুতি অনুসৰি মোৰ চৰকাৰে ৰাজ্যখনৰ সকলোবোৰ চেকপোষ্ট উঠাই দিছে।

প্ৰধানমন্ত্ৰী জন ধন যোজনাৰ অধীনত ২০১৭ চনৰ চেপ্তেম্বৰ মাহলৈকে অসমৰ আটাইকেইখন জিলাত ১.৩ কোটিতকৈ অধিক বেংক একাউন্ট খোলা হৈছে। সকলো শ্ৰেণীৰ লোককে বেংকিং খণ্ড আৰু নগদবিহীন লেনদেনৰ অধীনলৈ অনাৰ বাবে ২ জানুৱাৰী, ২০১৮ তাৰিখে "চাহ বাগিছাৰ ধন পুৰস্কাৰ" মেলা, ২০১৭-১৮ আৰম্ভ কৰা হৈছে। বিমুদ্ৰাকৰণৰ সময়ত বেংক একউন্ট খোলা আৰু বেংকৰ জৰিয়তে মজুৰি লোৱা চাহ-শ্ৰমিকসকলৰ বাবে তেওঁলোকৰ প্ৰতিটো একাউন্টত মোৰ চৰকাৰে ২৫০০ টকাকৈ ধন জমা কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰিছে। যদিহে শ্ৰমিকসকলে ভৱিষ্যতে বেংক একাউন্টৰ জৰিয়তে তেওঁলোকৰ মজুৰি গ্ৰহণ কৰে, তেতিয়া মোৰ চৰকাৰে পুনৰ তেওঁলোকৰ বেংক একাউন্টত ২৫০০ কৈ টকা জমা কৰি দিব।

২০১৭ চনৰ নৱেম্বৰত শিৱসাগৰ জিলাৰ আমগুৰিত এটা নতুন উপ-কোষাগাৰ স্থাপন কৰা হৈছে। তিনিচুকীয়া জিলাৰ ডুমডুমাত আৰু কৰিমগঞ্জ জিলাৰ পাথৰকান্দিত ২০১৮ চনৰ জানুৱাৰীত দুটা নতুন উপ-কোষাগাৰৰ কাম-কাজ আৰম্ভ হৈছে।

**খাদ্য আৰু অসামৰিক যোগান আৰু গ্ৰাহক পৰিক্ৰমা ঃ**

মোৰ চৰকাৰে ২০১৭ বৰ্ষৰ মে’ত প্ৰধানমন্ত্ৰীৰ উজ্বলা যোজনাখন আনুষ্ঠানিকভাৱে শুভাৰম্ভ কৰিছে। ৰাজ্যখনৰ দৰিদ্ৰ সীমাৰেখাৰ তলৰ পৰিয়ালৰ মহিলা হিতাধিকাৰীলৈ তেল বিপণন কোম্পানীসমূহে ৬.১ লাখতকৈ অধিক বিনামূলীয়া ৰন্ধন গেছৰ সংযোগ প্ৰদান কৰিছে। মোৰ চৰকাৰে বজাৰ দৰতকৈ কম মূল্যত অত্যাৰশ্যকীয় সামগ্ৰী বিপননৰ বাবে ১ হেজাৰখন “ভ্ৰাম্যমাণ আমাৰ দোকান” খোলাৰ বাবে সিদ্ধান্ত লৈছে। অসমৰ বিভিন্ন স্থানত থকা বজাৰসমূহ তাৎক্ষণিকভাৱে পৰিদৰ্শনৰ জৰিয়তে অত্যাৰশ্যকীয় সামগ্ৰীসমূহৰ মূল্য নিৰীক্ষণৰ ব্যৱস্থা গ্ৰহণ কৰা হৈছে। এই উদ্দেশ্যেৰে প্ৰতিজন জিলা আৰু মহকুমাত এজন কাৰ্যবাহী দণ্ডাধীশৰ নেতৃত্বত বিভাগীয় বিষয়াক সামৰি বলবৎকাৰী গোট গঠন কৰা হৈছে। যেতিয়া কোনো অনিয়ম আৰু নিয়ম উলংঘাৰ বিষয় ধৰা পেলোৱা হৈছে, তেনে ক্ষেত্ৰত অসাধু ব্যৱসায়ীৰ বিৰুদ্ধে কঠোৰ পদক্ষেপ গ্ৰহণ কৰা হৈছে। উৎপাদন বৃদ্ধিত উদগণি তথা কম মূল্যত বিক্ৰী বন্ধ কৰাৰ বাবে মোৰ চৰকাৰে ধান ক্ৰয়ৰ ওপৰত গুৰুত্ব আৰোপ কৰিছে। ২০১৬-২০১৭ বৰ্ষৰ খাৰিফ বিপননৰ সময়ত মোৰ চৰকাৰে ৬৯০০০ মেট্ৰিকটনৰো অধিক ধান ক্ৰয় কৰিছে। ২০১৬-১৭ বৰ্ষৰ সময়ছোৱাত বৈধ জোখ-মাপ বিভাগৰ নিয়ন্ত্ৰকে ১২২ % ৰাজহ সংগ্ৰহৰ লক্ষ্যত সফলতা লাভ কৰিছে আৰু ১৭০০ সংখ্যক বিচাৰযোগ্য গোচৰ বিভাগে ৰুজু কৰিছে।

**গুৱাহাটী উন্নয়ন ঃ**

মোৰ চৰকাৰে ৰাজধানী চহৰ আৰু ইয়াৰ দাঁতিকাষৰীয়া অঞ্চলসমূহৰ

ক্ষীপ্ৰ তথা সংহত উন্নয়ণৰ বাবে এক আঞ্চলিক পৰিকল্পনা প্ৰস্তুত কৰিবলৈ এখন আঞ্চলিক প্ৰাধিকৰণ স্থাপনৰ অৰ্থে ২০১৭ বৰ্ষৰ অক্টোবৰ মাহত অসম ৰাজ্যিক ৰাজধানী অঞ্চল উন্নয়ন প্ৰাধিকৰণ আইন, ২০১৭ গৃহীত কৰিছে। ব্ৰহ্মপুত্ৰৰ ওপৰত ক্ৰমে পাণবজাৰৰ পৰা উত্তৰ গুৱাহাটীলৈ আৰু পলাশবাৰীৰ পৰা শুৱালকুছিলৈ দুখন দলং নিৰ্মাণৰ কামৰ বাবে সম্ভাৱনীয়তা আৰু বিস্তৃত প্ৰকল্প প্ৰতিবেদনৰ কাম চলি আছে। এই প্ৰস্তাৱিত দলং দুখন ক্ৰমে ছয় লেনযুক্ত আৰু চাৰি লেনযুক্ত হ'ব।

মোৰ চৰকাৰে ছিংগাপুৰৰ পাৰ্ক ইন্টাৰকানেক্ট আৰ্হিৰ লেখিয়াকৈ গুৱাহাটী ওপেন স্পেছেছ এণ্ড পাৰ্ক ইন্টিগ্ৰেটৰ নেটৱৰ্কৰ অধীনত উদ্যান, মুকলি স্থানসমূহ তথা সেউজীয়া নেটৱৰ্কসমূহ একত্ৰিত কৰি  নগৰীয়া অঞ্চলসমূহৰ পৰিকল্পনা কৰিবলৈ অলপতে ছিংগাপুৰ চৰকাৰৰ সৈতে এখন চুক্তি স্বাক্ষৰ কৰিছে। ছিংগাপুৰ কৰ্পৰেশ্যন এন্টাৰপ্ৰাইজ আৰু ছিংগাপুৰ চৰকাৰৰ সৈতে আৰ্হি প্ৰস্তুতিৰ বাবে কাৰিকৰী অনুমোদনৰ কাম আগবাঢ়িছে।

পুৰণা উপায়ুক্ত বাসভৱনটো গুৱাহাটী ঐতিহ্য আৰু হস্ততাঁত সংগ্ৰহালয়লৈ পৰিৱৰ্তন কৰিবলৈ লোৱা হৈছে। এই ঠাইখিনি চহৰখনৰ বাবে মনোৰঞ্জন আৰু শিক্ষাৰ কেন্দ্ৰ হিচাপে ব্যৱহাৰ কৰা হ'ব। মালিগাঁৱৰ আদাবাৰীস্থিত অসম ৰাজ্যিক গৃহ নিৰ্মাণ বোৰ্ডৰ চৌহদ আৰু হেঙেৰাবাৰীৰ খাদী আৰু গ্ৰামোদ্যোগ বোৰ্ডৰ চৌহদত দুখন নতুন উদ্যানৰ কাম হাতত লোৱা হৈছে। শ্ৰদ্ধাঞ্জলী কাননৰ সন্মুখত বহুতৰপীয়া বাহন ৰখা ঠাইৰ নিৰ্মাণ সম্পূৰ্ণ হৈছে আৰু ইয়াক জনসাধাৰণৰ বাবে মুকলি কৰি দিয়া হৈছে। পাণবজাৰত মহেন্দ্ৰ মোহন চৌধুৰী চিকিৎসালয়ৰ ওচৰত বহুতৰপীয়া বাহন ৰখা ঠাই নিৰ্মাণৰ কাম ২০১৮ চনৰ মাৰ্চ মাহৰ ভিতৰত সম্পূৰ্ণ কৰিবলৈ লক্ষ্য নিৰ্ধাৰণ কৰা হৈছে।

গুৱাহাটী পৌৰ নিগমে ঘৰে ঘৰে  গোটা আৱৰ্জনা সংগ্ৰহ কৰিবলৈ ৫৮ টা বেচৰকাৰী সংস্থাক নিয়োজিত কৰিছে। লগতে পৌৰ নিগমটোৱে উপপথ,

ৰাস্তা, পদপথ, আলিবাট ইত্যাদি নিয়মিতভাৱে পৰিস্কাৰ কৰে। শক্তি ব্যয় হ্ৰাস কৰাৰ লগতে অধিক উজ্বল পোহৰৰ বাবে গুৱাহাটী পৌৰ নিগমে ৩,৭০০ তকৈয়ো অধিক ষ্ট্ৰীট লাইটৰ প্ৰচলিত ছডিয়াম ভেপাৰ লাইটবোৰ এল ই ডি লাইটলৈ পৰিৱৰ্তিত কৰিছে।

গুৱাহাটী স্মাৰ্ট চিটি লিমিটেডৰ পাঁচটা অঞ্চল ভিত্তিক উন্নয়ণ প্ৰকল্প আৰু তথ্য প্ৰযুক্তি, পথ, বিদ্যুৎ আৰু সৌৰ ক্ষেত্ৰসমূহত কেবাটাও বহু নগৰীয়া প্ৰকল্পৰ কৰ্মাধিকাৰ আছে, আৰু ই ২০১৭ বৰ্ষত উল্লেখযোগ্য সফলতা অৰ্জন কৰিছে। নতুনকৈ প্ৰতিষ্ঠিত গুৱাহাটী মহানগৰ খোৱা পানী আৰু নলা নৰ্দমা বোৰ্ডে জাইকা-সহযোগ প্ৰাপ্ত গুৱাহাটী পানী যোগান প্ৰকল্পটোৰ লগত সমন্বয় ৰক্ষা কৰি চলাই আছে।

**নগৰ উন্নয়ণ ঃ**

মোৰ চৰকাৰে ৩৮ খন চহৰৰ বাবে ২৮ খন চূড়ান্ত "মাষ্টাৰ প্লেন" আৰু ১০ খন খছৰা "মাষ্টাৰ প্লেন" প্ৰকাশ কৰিছে। লগতে জি আই এছ মেপিঙৰ দৰে আধুনিক প্ৰযুক্তিৰ ব্যৱহাৰেৰে আন ৪৬ খন "মাষ্টাৰ প্লেন" প্ৰকাশৰ প্ৰক্ৰিয়া চলি আছে। অটল মিছন ফৰ ৰিজুভিনেচন এণ্ড আৰ্বান ট্ৰান্সফৰ্মেশ্যন আঁচনিৰ অধীনত ভাৰত চৰকাৰে ডিব্ৰুগড়, শিলচৰ, নগাওঁ আৰু গুৱাহাটী এই ৪(চাৰি) খন চহৰ বাছনি কৰা হৈছে আৰু এই অভিযান ৰূপায়ণৰ অৰ্থে পুঁজি মোকলাই দিয়া হৈছে। প্ৰধান মন্ত্ৰী আৱাস যোজনা সকলোৰে বাবে গৃহ (নগৰ)ৰ অধীনত ভাৰত চৰকাৰে ২০১৫-২০২২ বৰ্ষলৈ অভিযানৰ সময়চোৱাত অসমৰ ৯৭ খন চহৰ বাছনি কৰিছে। স্বচ্ছ ভাৰত মিছন (নগৰ)ৰ অধীনত মোৰ চৰকাৰে অসমৰ আটাইকেইখন নগৰীয় স্থানীয় নিকায়সমূহৰ পৌৰ গোটা আৱৰ্জনা নিষ্কাশন ব্যৱস্থাপনাৰ ওপৰত "ৰাজ্যিক অনাময় পৰিকল্পনা" আৰু "বিস্তৃত প্ৰকল্প প্ৰতিবেদন" প্ৰস্তুত কৰিছে। দীনদয়াল অন্ত্যোদয়া যোজনা-ৰাষ্ট্ৰীয় নগৰীয় জীৱিকা অভিযানৰ অধীনত মুঠ ৭৮০০ টা

আত্ম-সহায়ক গোটৰ উন্নয়ন সাধন কৰা হৈছে। “মহানগৰ আন্তঃগাঁথনি উন্নয়ণ পুঁজি”ৰ অধীনত ডিব্ৰুগড়, তিনিচুকীয়া, নগাওঁ, শিলচৰ, যোৰহাট আৰু তেজপুৰকে ধৰি ৬ খন চহৰৰ প্ৰতিখনলৈ ২০০ কোটিকৈ ধন আবন্টন কৰা হৈছে। “প্ৰকল্প জ্যোতি আঁচনি” ৰ অধীনত অসমৰ ৯৭ খন চহৰ আৰু পৌৰ সভালৈ শক্তি সংৰক্ষণ কৰিব পৰা এল ই ডি লাইট প্ৰদান কৰা হ’ব।

**হস্ততাঁত, বস্ত্ৰশিল্প আৰু ৰেচম ঃ**

মোৰ চৰকাৰে অসমৰ হস্ততাঁত, বস্ত্ৰশিল্প, আৰু ৰেচম খণ্ডসমূহৰ বিকাশৰ বাবে বিভিন্ন পদক্ষেপ গ্ৰহণ কৰিছে। নিয়মীয়াকৈ কম মূল্যত মানবিশিষ্ট সূতা উপলব্ধ কৰিবলৈ, মোৰ চৰকাৰে ২০ টা সূতাৰ ভঁৰাল স্থাপন কৰিছে। বাকী থকা জিলাসমূহত ৭টা সূতাৰ ভঁৰাল ২০১৭-১৮ বৰ্ষত স্থাপনৰ কাম চলি আছে। বয়ন শিল্পীসকলৰ অৰ্থনৈতিক উৎকৰ্ষৰ বাবে ২০১৭-১৮ বৰ্ষত সাধাৰণ শ্ৰেণীৰ ৭০ টা গোটলৈ সাহায্য আগবঢ়োৱা হৈছে। দক্ষতা উন্নয়ণৰ বাবে মোৰ চৰকাৰে ১০২ টা হস্ততাঁত প্ৰশিক্ষণ কেন্দ্ৰ চলাই আছে য’ত বছৰি ১,৬৪৫ গৰাকী নিবনুৱা যুৱক-যুৱতীলৈ প্ৰশিক্ষণ প্ৰদান কৰা হয়।

মাননীয় সদস্যসকল, আপোনালোকে জানিবলৈ পাই সুখী হ’ব যে আমাৰ ৰাজ্যখনে ২০১৬-১৭ বৰ্ষত এড়ি আৰু মুগাৰ ক্ষেত্ৰত দেশৰ ভিতৰতে কেঁচা পাট উৎপাদন কৰা শীৰ্ষ ৰাজ্যৰ স্থান লাভ কৰিছে। অসমত মুগা সংস্কৃতি পুনৰুজ্জীৱিত কৰা এক দহ বছৰীয়া ধ্বজাবাহী কাৰ্যসূচী ‘মিছন মুগা’ৰ অধীনত ২০১৭-১৮ বৰ্ষত ১০০ কোটি টকা আবন্টন কৰা হৈছে। শুৱালকুছিৰ স্থানীয় বয়ন শিল্পী/ব্যৱসায়ী সকলক লাভান্বিত কৰিবলগীয়া “শুৱালকুছিৰ নুনিপাটৰ সূতাৰ ভঁৰাল প্ৰকল্পটোৰ বাবে ২০১৭-১৮ বৰ্ষত ২০ কোটি টকা মঞ্জুৰ কৰা হৈছে। আৰ্টফেডলৈ মিল গেট মূল্যত এন এইছ ডি ছি -ৰ পৰা নুনি পাট ক্ৰয় কৰিবৰ বাবে কাৰ্যকৰী মূলধন প্ৰদান কৰা হ’ব, য’ত একেখিনি সামগ্ৰী আৰ্টফেডে শুৱালকুছিৰ বয়ন শিল্পীসকলৈ ৰাজসাহায্যযুক্ত হাৰত বিক্ৰী কৰিব, যাতে

অসমীয়া পাৰম্পৰিক নুনি পাটৰ সামগ্ৰীৰ উৎপাদন মূল্যই ঘৰুৱা আৰু আন্তৰ্জাতিক বজাৰত প্ৰতিদ্বন্দ্বিতা কৰিবলৈ সক্ষম হয়।

**স্বাস্থ্য আৰু পৰিয়াল কল্যাণ ঃ**

মোৰ চৰকাৰে স্বাস্থ্য খণ্ডটোৰ প্ৰতি যথেষ্ট গুৰুত্ব প্ৰদান কৰি আহিছে। ইয়াৰ সক্ৰিয় পদক্ষেপসমূহৰ ফলশ্ৰুতিতে ৰাজ্যখনত নৱজাতকৰ মৃত্যুৰ হাৰ উল্লেখযোগ্য ধৰণে হ্ৰাস পাইছে। মুখ্যমন্ত্ৰীৰ বিনামূলীয়া ৰোগ নিৰ্ণয় কাৰ্যসূচীৰ অধীনত চি টি স্কেন, এক্স-ৰে আৰু পৰীক্ষাগাৰৰ সেৱাসমূহৰ দৰে ৰোগ নিৰ্ণায়ক সেৱাসমূহ ৰাইজৰ বাবে বিনামূলীয়কৈ উপলব্ধ কৰোৱা হৈছে। মোৰ চৰকাৰে ২০১৬ বৰ্ষৰ ডিচেম্বৰ মাহত অটল অমৃত অভিযান আৰম্ভ কৰিছে। এই অভিযানৰ অধীনত হৃদৰোগ, কৰ্কট ৰোগ, বৃক্ক ৰোগ, নৱজাতকৰ ৰোগ, স্নায়ুজনিত ৰোগ আৰু জুয়ে পোৰাৰ দ্বাৰা আক্ৰান্ত ৰোগীসকলে ৰাজ্যখনৰ ভিতৰ আৰু বাহিৰৰ তালিকাভুক্ত চিকিৎসালয়সমূহত স্বাস্থ্য সেৱা লাভ কৰি আছে। কৰ্কট ৰোগৰ উন্নত চিকিৎসাৰ বাবে গুৱাহাটী চিকিৎসা মহাবিদ্যালয়ত থকা ২০০ খন বিচনাযুক্ত কৰ্কট ৰোগৰ চিকিৎসালয়ত পি ই টি-চি টি স্কেন, লিনিয়াৰ এক্সেলেৰেটৰ আৰু চাইক্লট্ৰোনৰ দৰে সৰঞ্জামসমূহ সজ্জিত কৰা হৈছে। মোৰ চৰকাৰে সৰ্বাংগীন প্ৰাথমিক স্বাস্থ্যসেৱা আৰু ৰোগ নিৰ্ণয়ৰ বাবে ভ্ৰাম্যমান চিকিৎসা গোটৰ সুবিধা আৰম্ভ কৰিছে। এনে ১৩০ টা গোটৰ ভিতৰত ৮০ টা গোট চাহ বাগিছাৰ অঞ্চলসমূহৰ বাবে। এতিয়া চাহ বাগিছাৰ জনসাধাৰণে সহজতে স্বাস্থ্যসেৱা লাভ কৰিবলৈ সক্ষম হৈছে।

মাননীয় সদস্যসকল, মোৰ চৰকাৰে ধুবুৰী, নগাঁও, ডিফু আৰু উত্তৰ লখিমপুৰত স্থাপন কৰিবলগীয়া ৪ খন নতুন চিকিৎসা মহাবিদ্যালয়ৰ বাবে অনুমোদন লাভ কৰিছে। ইয়াৰোপৰি তিনিচুকীয়া, নলবাৰী আৰু কোকৰাঝাৰত নতুন চিকিৎসা মহাবিদ্যালয় স্থাপনৰ বাবে প্ৰস্তাৱ আগবঢ়োৱা হৈছে। লগতে ডিব্ৰুগড় আৰু শিলচৰত দুখন নতুন দন্ত চিকিৎসা মহাবিদ্যালয় স্থাপন কৰিবলৈ

লোৱা হৈছে। মাজুলী আৰু দুধনৈত দুখন ৫০ খন বিচনাযুক্ত আয়ুৰ্বেদিক চিকিৎসালয়ো স্থাপন কৰা হ'ব।

**পাৰ্বত্য অঞ্চল ঃ**

মোৰ চৰকাৰে অসমৰ পাৰ্বত্য অঞ্চলসমূহত স্থায়ী শান্তি আৰু সম্প্ৰীতি নিশ্চিত কৰা তথা বহনক্ষম উন্নয়ন সাধনৰ বাবে প্ৰতিশ্ৰুতিবদ্ধ। নিজস্ব লক্ষ্যসমূহত উপনীত হ'বলৈ ইতিমধ্যে দুয়োখন স্বায়ত্বশায়িত পৰিষদলৈ অধিক ক্ষমতা প্ৰদান কৰা হৈছে। দায়িত্ব ন্যস্ত নকৰা খণ্ডসমূহকে ধৰি পাৰ্বত্য অঞ্চল স্বায়ত্ব শাসিত পৰিষদসমূহলৈ ৫৪৭ কোটিৰো অধিক টকা (কাৰ্বি আংলংৰ বাবে ৩৫৬.৫ কোটি আৰু উত্তৰ কাচাৰ পাৰ্বত্য জিলাৰ বাবে ১৯১.৩ কোটি টকা) আবন্টন কৰা হৈছে। কাৰ্বি আংলং আৰু উত্তৰ কাছাৰ পাৰ্বত্য জিলাৰ দুয়োখন স্বায়ত্ব শাসিত পৰিষদে প্ৰধান মন্ত্ৰী উজ্জ্বলা যোজনাখন গ্ৰহণ কৰিছে। ইয়াৰোপৰি, ২০১৮ বৰ্ষত পৰ্যটন, হস্ততাঁত আৰু বস্ত্ৰশিল্প, ৰেচম আদিৰ দৰে নিয়োগ সৃষ্টিকাৰীখণ্ডসমূহৰ লগতে কৃষি, স্বাস্থ্য, পথ সংযোগ, শিক্ষা, পানী যোগান আৰু অনাময় আদি হ'ল অগ্ৰাধিকাৰ প্ৰাপ্ত খণ্ড।

**গৃহ ঃ**

সন্মানীয় সদস্যসকল,মোৰ চৰকাৰে ইউনিফাইড কামাণ্ড ষ্ট্ৰাকচাৰৰ অধীনত এতিয়ালৈকে বিদ্ৰোহ দমন অভিযানসমূহত উল্লেখযোগ্য সফলতা অৰ্জন কৰিছে। ২০১৭ বৰ্ষৰ সময়ছোৱাত নিৰাপত্তা বাহিনীয়ে বিভিন্ন উগ্ৰপন্থী সংগঠনৰ বহুসংখ্যক কেডাৰক কৰায়ত্ত কৰে আৰু এই উগ্ৰপন্থীৰসমূহৰ পৰা বিভিন্ন ধৰণৰ অস্ত্ৰ-শস্ত্ৰ, গুলী, আই ই ডি, গ্ৰেনেড, ডিট'নেটৰ আৰু নগদ টকা উদ্ধাৰ কৰে। আৰক্ষীক বন্ধুত্বসুলভ, দায়বদ্ধ আৰু ফলপ্ৰসূ কৰি তুলিবলৈ সমাজৰ বিভিন্ন শ্ৰেণীৰ লোকৰ প্ৰতিনিধিত্বৰে সকলো আৰক্ষী থানাতে নাগৰিক সমিতি গঠন কৰা হৈছে। মহিলাৰ অভিযোগ নিষ্পত্তি আৰু শিশু-কিশোৰৰ যতন তথা সুৰক্ষাৰ বাবে সকলো জিলাতে মহিলা কোষ তথা বিশেষ জুভেনাইল আৰক্ষী গোট গঠন কৰা হৈছে।

২০১৭ বৰ্ষত মোৰ চৰকাৰে ৰাজ্যৰ বাহিৰৰ বিভিন্ন প্ৰশিক্ষণ প্ৰতিষ্ঠান আৰু একাডেমীত বিভিন্ন সেৱাৰত আৰু বিশেষীকৃত পাঠ্যক্ৰমত ৩১০ গৰাকী বিষয়া-কৰ্মচাৰীক প্ৰশিক্ষণ দিয়ে। আমাৰ আৰক্ষী বাহিনীক গতিশীল, দায়বদ্ধ আৰু প্ৰযুক্তি-নিপুণ কৰি তুলিবলৈ মোৰ চৰকাৰখনে আন দহখন জিলাৰ লগতে কামৰূপ মহানগৰ জিলাত ই-চালান ব্যৱস্থা প্ৰৱৰ্ত্তন কৰিছে। উন্নত প্ৰযুক্তি আৰু প্ৰশিক্ষিত মানৱ শক্তিৰ ব্যৱহাৰেৰে কাৰিকৰী বুদ্ধিমত্তা আহৰণৰ সামৰ্থ বৃদ্ধি কৰিবলৈ মোৰ চৰকাৰখনে চাইবাৰ ড'ম সৃষ্টিৰ বাবে বিনিয়োগ কৰিবলৈ লৈছে। এই প্ৰকল্পই চাইবাৰ নিৰাপত্তা, চাইবাৰ ফৰেনচিক আৰু ছ'চিয়েল মিডিয়া নিৰীক্ষণ কোষকো সামৰি ল'ব। ৰাজ্যখনৰ মৈত্ৰী অভিযানৰ অধীনত মোৰ চৰকাখনে ৰাজ্যৰ প্ৰতিখন থানাতে কায়িক আন্তঃগাঁথনিৰ উন্নয়ন, ইণ্টাৰনেট সংযোগ আৰু চাইবাৰ অপৰাধ ধৰা পেলোৱাৰ বাবে বুনিয়াদী সা-সৰঞ্জামৰ ব্যৱস্থা কৰিব। ফৰেনচিক বিজ্ঞানৰ গৱেষণাগাৰৰ আধুনিকীকৰণৰ বাবে মোৰ চৰকাৰখনে পদক্ষেপ গ্ৰহণ কৰিছে।

২০১৭ বৰ্ষত মোৰ চৰকাৰখনে ৰাজ্যখনৰ বিভিন্ন বিদ্যালয়, মহাবিদ্যালয় আৰু অন্যান্য শিক্ষা প্ৰতিষ্ঠানৰ লগতে চিকিৎসালয়, শ্বপিং মল, সুউচ্চ অট্টালিকাসমূহত অগ্নিকাণ্ড সম্পৰ্কীয় সজাগতা আৰু ম'ক ড্ৰিল কাৰ্যসূচী ৰূপায়ণ কৰিছে। প্ৰাকৃতিক দুৰ্যোগ সন্দৰ্ভত ৰাইজৰ মাজত সজাগতা সৃষ্টিৰ বাবে ২০১৭ ৰ ডিচেম্বৰত 'মহাবাহুত মহাযাত্ৰা' কাৰ্যসূচীত অসামৰিক প্ৰতিৰক্ষাৰ স্বেচ্ছাসেৱকসকলক জড়িত কৰা হয়।

মোৰ চৰকাৰখনে ২০১৭-১৮ বৰ্ষত মুকলি কৰি দিয়া যাৱজ্জীৱন কাৰাদণ্ডপ্ৰাপ্ত ১৫০ জন অপৰাধীৰ প্ৰত্যেকলৈ ১০,০০০ টকাকৈ পুনৰসংস্থাপন সাহায্য আগবঢ়াবলৈ আৰু ১০০ জন যাৱজ্জীৱন কাৰাদণ্ডাজ্ঞাপ্ৰাপ্ত দুখীয়া অপৰাধীৰ পৰিয়াললৈ ১০,০০০ টকাকৈ তেওঁলোকৰ অৰ্থনৈতিক সবলীকৰণৰ বাবে বিত্তীয় সাহায্য প্ৰদান কৰিবলৈ সিদ্ধান্ত লৈছে।

**উদ্যোগ আৰু বাণিজ্য ঃ**

চলিত বৰ্ষৰ ৩ ফেব্ৰুৱাৰীৰ দিনা মাননীয় প্ৰধানমন্ত্ৰীয়ে দেশৰ উত্তৰ-পূৰ্বাঞ্চলত পোন প্ৰথমবাৰৰ বাবে আয়োজিত 'এডভাণ্টেজ আছাম' গোলকীয় বিনিয়োগকাৰীৰ শীৰ্ষ সন্মিলনখন উদ্বোধন কৰে। শীৰ্ষ সন্মিলনখন উদ্বোধন কৰি প্ৰধানমন্ত্ৰীয়ে মোৰ চৰকাৰখনক ৰাজ্যখনলৈ বিনিয়োগৰাকীক  আকৰ্ষিত কৰিবলৈ আৰু ৰাজ্যখনক 'আছিয়ানলৈ ভাৰতৰ ত্বড়িত পথ' হিচাপে উন্নীত কৰিবলৈ লোৱা প্ৰয়াসৰ বাবে প্ৰশংসা কৰে। পূৰ্ণাংগ অধিবেশনৰ উপৰি ৰাজ্যখনত থকা সুযোগ-সুবিধাসমূহৰ ওপৰত আলোকপাত কৰা এখন প্ৰদৰ্শনীৰ লগতে বিনিয়োগৰ বাবে চিনাক্ত কৰা সম্ভাৱনাপূৰ্ণ স্থানসমূহত খণ্ডভিত্তিক আলোচনা চক্ৰৰো আয়োজন কৰা হয়। গোলকীয় বিনিয়োগকাৰীৰ শীৰ্ষ সন্মিলনখনে সৃষ্টি কৰা গতিবেগ অব্যাহত ৰাখিবলৈ উদ্যোগ আৰু বাণিজ্য বিভাগৰ অধীনত 'বিনিয়োগ অসম' নামৰ এটা উৎসৰ্গিত অভিকৰণ গঠনৰ প্ৰস্তাৱ লোৱা হৈছে। এই অভিকৰণটোৱে 'বিনিয়োগ ভাৰত'ৰ সৈতে জোটবন্ধনেৰে কাম কৰিব আৰু নিয়মীয়াকৈ বিনিয়োগ বৃদ্ধি তথা বিনিয়োগৰ সুযোগ সন্ধানমূলক কাম-কাজ কৰিব।

ৰাজ্যখনত ব্যৱসায় কৰাটো সহজসাধ্য কৰিবলৈ মোৰ চৰকাৰখনে নতুনত্ব সৃষ্টিকাৰী সংস্কাৰ সাধনত পথ প্ৰদৰ্শনকাৰী আছাম ইজ অৱ ডুইং বিজনেছ এক্ট, ২০১৬ ৰ ৰূপায়ণ কৰি আছে। উদ্যোগ আৰু বাণিজ্য আয়ুক্তালয়, গুৱাহাটীত স্থাপন কৰা একক (চিংগল উইণ্ডো) অভিকৰণটোৱে কাম-কাজ কৰি আছে। ২০১৭ বৰ্ষৰ ১৫ অক্টোবৰৰ পৰা বিভিন্ন সেৱাৰ বাবে অফলাইন আবেদন গ্ৰহণ কৰাটো বন্ধ কৰা হৈছে। ৩৫ টা বিভাগৰ মুঠ ৩৬০ টা সেৱা অনলাইনত উপলব্ধ হৈছে।

মোৰ চৰকাৰখনে কামৰূপ (মহানগৰ) জিলাৰ জালুকবাৰীৰ পৰা কামৰূপ (গ্ৰাম্য) জিলাৰ কুকুৰমাৰালৈ ৩৭ নং ৰাষ্ট্ৰীয় ঘাইপথৰ দুয়োকাষে আৰু কামৰূপ

(মহানগৰ) জিলাৰ জালুকবাৰীৰ পৰা নলবাৰী জিলাৰ টিহুলৈ ৩১ নং ৰাষ্ট্ৰীয় ঘাইপথৰ দুয়োকাষে জনজাতীয় বেষ্টনী আৰু খণ্ডসমূহ, জলাহভূমি, জাননীকৃত বনভূমি, ভিজিআৰ ভূমিক বাদ দি ৫০০ মিটাৰৰ ঊৰ্দ্ধৰ ১ কিলোমিটাৰৰ ভিতৰৰ এলেকাক 'ঔদ্যোগিক মণ্ডল' হিচাপে ঘোষণা কৰিছে। মোৰ চৰকাৰখনে গুৱাহাটীৰ আমবাৰীত সম্পূৰ্ণ পাৰিপাৰ্শ্বিকতামূলক ব্যৱস্থা আৰু সুৰক্ষিত তথা সুচল কৰ্ম পৰিসৰ, হাই-স্পীড ইণ্টাৰনেট সেৱা, সন্মিলন কক্ষ, উপদেষ্টা তথা বিনিয়োগকাৰীৰ পয়োভৰ, আইনী তথা নিয়ামক দিক্‌নিৰ্দেশনা ইত্যাদিৰ সা-সুবিধাৰে অত্যাধুনিক উদ্ভাৱন কেন্দ্ৰ 'আছাম হাব' স্থাপন কৰিবলৈ লৈছে। মোৰ চৰকাৰখনে আছাম ষ্টাৰ্ট আপ পলিচী ২০১৭ ৰো ৰূপায়ণ কৰি আছে , যাৰ অধীনত বিত্তীয় আৰু অনা-বিত্তীয় উভয় ক্ষেত্ৰতে উদ্যোগ আৰম্ভ কৰাৰ বাবে উদগণিৰ ব্যৱস্থা কৰা হ'ব।

মোৰ চৰকাৰখনে উদ্যোগ স্থাপনৰ বাবে ঔদ্যোগিক আন্তঃগাঁথনিৰ উন্নয়ন সাধিবলৈ ৯ টা  বন্ধ হৈ পৰা ৰাজহুৱা খণ্ডৰ প্ৰতিষ্ঠানৰ (পিএছ ইউ) অধীনস্থ ভূমিৰ উন্নয়ন কৰি আছে। তদুপৰি সম্ভাৱনাপূৰ্ণ উদ্যমীসকলক তেওঁলোকৰ গোটসমূহ স্থাপনত সমৰ্থ হ'বলৈ এই ভূমিৰ অধিক এলেকা 'ভূমি বেংক'ত যোগ দিয়া হৈছে।

**ৰাজহুৱা প্ৰতিষ্ঠানঃ**

মোৰ চৰকাৰখনে ৰাজ্যখনৰ সকলো পিএছইউৰে সঞ্চালকমণ্ডলীত কমেও একোগৰাকীকৈ মহিলা সঞ্চালক অন্তৰ্ভুক্তিৰ নীতি ৰূপায়ণ সন্দৰ্ভত নিৰৱচ্ছিন্নভাৱে নিৰীক্ষণ কৰি আছে। ৰাজ্যিক পিএছইউসমূহৰ অংশকালীন অনানুষ্ঠানিক (নন-অফিচিয়েল) অধ্যক্ষসকলৰ মাহিলী মাননি ১০০০ টকাৰ পৰা সৰ্বাধিক ১০,০০০ টকা পৰ্যন্ত বৃদ্ধি কৰা হৈছে।

**তথ্য আৰু জনসংযোগ ঃ**

ৰাজ্যখনৰ সাংবাদিকসকলৰ সামগ্ৰিক উন্নয়ন আৰু কল্যাণৰ বাবে মোৰ

চৰকাৰখন অতি আগ্ৰহী। চলিত বৰ্ষত মোৰ চৰকাৰখনে ৰাজ্যখনত সংঘটিত বিভিন্ন হিংসাত্মক ঘটনাত প্ৰাণ হেৰুওৱা বা নিৰুদ্দিষ্ট হোৱা ৩১ গৰাকী সাংবাদিকৰ প্ৰতিগৰাকীৰে নিকটাত্মীয়লৈ পাঁচ লাখকৈ টকা এককালীন সাহায্য আগবঢ়াইছে। অসমৰ 'স্বীকৃতিপ্ৰাপ্ত' সাংবাদিকসকলৰ চিকিৎসাৰ বাবে এককালীন বিত্তীয় সাহায্য আগবঢ়োৱা 'সাংবাদিক চিকিৎসা কল্যাণ আঁচনি'ৰ অধীনত এতিয়ালৈকে ১১৮ গৰাকী সাংবাদিকে বিত্তীয় সাহায্য লাভ কৰিছে। মোৰ চৰকাৰখনে কৰ্তব্যৰত অৱস্থাত অকালতে মৃত্যু হোৱা সাংবাদিকৰ পৰিয়াললৈ বিত্তীয় সাহায্য আগবঢ়াবলৈ প্ৰৱৰ্ত্তন কৰিছে 'সাংবাদিকৰ পৰিয়াল কল্যাণ পুঁজি' (জে এফ বি এফ)। অসমত ২০ বছৰৰ অধিক কাল কৰ্মৰত সাংবাদিকৰ অৱসৰকালীন লাভ আগবঢ়াবলৈ 'সাংবাদিকৰ পেঞ্চন আঁচনি'খন আৰম্ভ কৰা হৈছে। মোৰ চৰকাৰখনে সাংবাদিকতাৰ ক্ষেত্ৰখনলৈ আগবঢ়োৱা অনবদ্য বৰঙণিৰ বাবে 'গণৰাজ্য দিৱস সাংবাদিকতা বটা' প্ৰৱৰ্ত্তন কৰিছে। চলিত বৰ্ষত খ্যাতনামা সাংবাদিক কনকসেন ডেকাক এই বঁটাৰে সন্মানিত কৰা হয়। সাংবাদিক সমাজ আৰু তেওঁলোকৰ পৰিয়ালবৰ্গৰ সুৰক্ষা আৰু নিৰাপত্তা নিশ্চিত কৰিবলৈ মোৰ চৰকাৰখনে 'সাংবাদিকৰ বীমা আঁচনি' নামৰ এখন নতুন আঁচনি প্ৰৱৰ্ত্তনৰ প্ৰস্তাৱ লৈছে।

**তথ্য আৰু প্ৰযুক্তি ঃ**

মোৰ চৰকাৰে এক নতুন তথ্য প্ৰযুক্তি আৰু ইলেক্‌ট্ৰনিক পলিচি ২০১৭ আৰম্ভ কৰিছে। বিনিয়োগকাৰীৰ বাবে উদগনিমূলক 'ব্ৰেণ্ড আছাম' ৰ বিকাশ ঘটাই এখন খিৰিকীৰে লেন-দেনৰ সুবিধা আৰু সহযোগেৰে তথ্য আৰু যোগাযোগ প্ৰযুক্তি উদ্যোগে অসমক এখনি অগ্ৰণী বিনিয়োগকৰণ স্থান হিচাপে পৰিগণিত কৰিবলৈ বিচৰা হৈছে। গুৱাহাটী এয়াৰপ'ৰ্টৰ কাষত এক বৃহৎ তথ্য প্ৰযুক্তি আৰু ইলেক্‌ট্ৰনিক্‌চ উদ্যোগ স্থাপন কৰাৰ বাবে উদ্যোগ লোৱা হৈছে। ভাৰত চৰকাৰে ২০১৮ চনৰ জানুৱাৰীত অসমত ইলেকট্ৰনিক্‌চ উৎপাদন ক্লাষ্টাৰ (Cluster) স্থাপনৰ এক প্ৰস্তাৱত অনুমোদন জনাইছে।

অসমৰ যুৱক-যুৱতীসকলক প্ৰযুক্তিগতভাৱে দক্ষ কৰি তুলিবলৈ আৰু প্ৰযুক্তিসমূহৰ প্ৰয়োগেৰে উপকৃত হ'বৰ বাবে গুগল ইণ্ডিয়াৰ সৈতে এক বুজাবুজি চুক্তিত স্বাক্ষৰ কৰিছে। ই-প্ৰস্তুতি প্ৰকল্পৰ অধীনত ২০১৭ চনৰ চেপ্তেম্বৰ মাহত ৫৪ টা বিভাগ আৰু ২০০ চাব-অৰ্ডিনেট (sub-ordinate) সংগঠনৰ ৱেব-চাইট মুকলি কৰিছে। ২০১৮ চনৰ জানুৱাৰী মাহত তথ্য প্ৰযুক্তি, ইলেক্ট্ৰনিক্‌চ আৰু যোগাযোগৰ নতুন সঞ্চালকালয় উদ্বোধন কৰিছে। ২০১৮ ৰ জানুৱাৰী মাহত 'অসম তথ্য প্ৰযুক্তি (ইলেকট্ৰনিক্‌চ সেৱা প্ৰদান)ৰ নীতি, ২০১৭ জাৰি কৰা হৈছে।

**জলসিঞ্চন ঃ**

মোৰ চৰকাৰে ৯৯ খন ক্ষুদ্ৰ জলসিঞ্চন আঁচনি সম্পূৰ্ণকৰণকে ধৰি ২০১৬ ৰ এপ্ৰিলৰ পৰা ২০১৭ ডিচেম্বৰলৈকে ১৮,০০০ হেক্টৰ ভূমিত নতুন জলসিঞ্চনৰ সম্ভাৱনীয়তা সৃষ্টি কৰিছে। গুৰু আৰু মজলীয়া জলসিঞ্চন খণ্ডত মোৰ চৰকাৰখনে তিনিটা নতুন গুৰু আৰু মজলীয়া জলসিঞ্চন প্ৰকল্পৰ (পুঠিমাৰী, বুৰৈ আৰু বুঢ়ীসুতি) জৰীপ আৰু অনুসন্ধান কাৰ্য সম্পূৰ্ণ কৰে আৰু বিশদ প্ৰকল্প প্ৰতিবেদন (ডিপিআৰ) প্ৰস্তুতকৰণৰ কাম চলি আছে।

২০১৭-১৮ বৰ্ষৰ বাবে মোৰ চৰকাৰখনে ২০১৮ ৰ মাৰ্চৰ ভিতৰত সম্পূৰ্ণ কৰাৰ লক্ষ্য বান্ধি লৈ ২৮ খন সৌৰ শক্তিযুক্ত অগভীৰ নলীনাদ আঁচনিৰ কাম হাতত লৈছে। গুৰু আৰু মজলীয়া জলসিঞ্চন খণ্ডত নাবাৰ্ডৰ ঋণ সাহায্যৰ জৰিয়তে ২০১৮ ৰ ভিতৰত ধনশিৰি (গুৰু) প্ৰকল্পৰ কাম সম্পূৰ্ণ কৰাৰ আশা কৰা হৈছে আৰু বৰলীয়া (মজলীয়া) প্ৰকল্প ২০১৯ ৰ ভিতৰত সম্পূৰ্ণ কৰিবলৈ লক্ষ্য বান্ধি লোৱা হৈছে।

**ন্যায়িক ঃ**

সন্মানীয় সদস্যসকল, মই এই কথা আপোনালোকক জনাবলৈ পাই সুখী হৈছো যে মোৰ চৰকাৰখনে মানসম্পন্ন আন্তঃগাঁথনি আৰু পৰ্যাপ্ত মানৱশক্তিৰ ব্যৱস্থা কৰি ৰাজ্যখনৰ ন্যায়পালিকাক শক্তিশালী কৰি তোলাত

সৰ্বোচ্চ অগ্ৰাধিকাৰ প্ৰদান কৰিছে। যোৱা বিত্তীয় বৰ্ষত হোৱা কেইটামান উল্লেখনীয় সাফল্য হ'ল কাৰ্বি আংলং আৰু ডিমা হাচাও জিলাত কাৰ্যপালিকাৰ পৰা ন্যায়পালিকাক পৃথক কৰা, ৰাষ্ট্ৰীয় আইন বিশ্ববিদ্যালয় আৰু ন্যায়িক একাডেমী উদ্বোধন ইত্যাদি। ২০১৭-১৮ বৰ্ষত কাছাৰ, বাক্সা আৰু ডিব্ৰুগড় এই তিনিখন জিলাত সকলো আধুনিক সা-সুবিধাসহ বহুমহলীয়া ন্যায়ালয় ভৱন উদ্বোধন কৰা হৈছে।

**বিধায়িনী ঃ**

২০১৭-১৮ বৰ্ষৰ এই পৰ্যন্ত বিভিন্ন প্ৰশাসনিক বিভাগৰ উদ্যোগত ২০ খন সংশোধিত আৰু ১৭ খন নতুন আইন প্ৰণয়ন কৰা হৈছে। এইবোৰ ইতিমধ্যে অসম ৰাজপত্ৰত প্ৰকাশিত হৈছে। এই সময়চোৱাতে ৬ খন কেন্দ্ৰীয় আইনক আঞ্চলিক ভাষালৈ অনূদিত কৰা হৈছে। আইন সেৱা প্ৰাধিকৰণে ধ্যান কেন্দ্ৰ স্থাপন আৰু অৰ্ধন্যায়িক স্বেচ্ছাসেৱক তথা ন্যায়িক সাহায্য পৰামৰ্শকাৰীক প্ৰশিক্ষণ দিয়াৰ উপৰি লোক আদালত, ন্যায়িক সজাগতা শিবিৰ ইত্যাদি অনুষ্ঠিত কৰি লক্ষ্য নিৰ্দ্ধাৰিত হিতাধিকাৰীসকললৈ আইনী সাহায্য প্ৰদানৰ দৰে কাৰ্যসূচী হাতত লয়।

**শ্ৰমিক কল্যাণঃ**

মোৰ চৰকাৰে বিভিন্ন খণ্ডত কাম কৰা শ্ৰমিকসকলৰ কল্যাণৰ বাবে যথোপযুক্ত গুৰুত্ব প্ৰদান কৰিছে। ১০০ টাতকৈ অধিক জাননীকৃত নিয়োগৰ বাবে ধাৰ্য কৰা নূন্যতম মজুৰিৰ পৰিমাণ ৰাষ্ট্ৰীয় সৰ্বনিম্ন স্তৰৰ নূন্যতম মজুৰিৰ প্ৰায় সমান। মজুৰিৰ পৰিশোধ চেক্ বা বেংক একাউন্ট যোগেদি কৰাৰ বাবে মজুৰিৰ পৰিশোধ আইনৰ সংশোধন কৰা হৈছে। সামাজিক সুৰক্ষা আঁচনিৰসমূহৰ জৰিয়তে বৃহৎসংখ্যক অসংগঠিত খণ্ডৰ শ্ৰমিক উপকৃত হৈছে। শিশুৰ অধিকাৰ সুৰক্ষা আৰু শিশু শ্ৰমিকৰ সমস্যা দূৰ কৰাৰ বাবে মোৰ চৰকাৰে সংশ্লিষ্ট পক্ষসমূহৰ সৈতে ঘনিষ্টভাৱে কাম কৰি আহিছে।

**দক্ষতা, নিয়োগ আৰু উদ্যমিতা ঃ**

এক দক্ষ কৰ্মবাহিনী গঢ়ি তোলাৰ বাবে মোৰ চৰকাৰে বহুসংখ্যক পদক্ষেপ গ্ৰহণ কৰিছে। ইলেক্‌ট্ৰনিক্‌ছ, নিৰ্মাণখণ্ড আদি বিশেষ শাখাত আন্তঃৰাষ্ট্ৰীয় মানৰ প্ৰশিক্ষণ প্ৰদান কৰিবৰ বাবে উৎকৰ্ষতাৰ কেন্দ্ৰ স্থাপনৰ পদক্ষেপ গ্ৰহণ কৰা হৈছে। সৌন্দৰ্য আৰু কল্যাণ, খুচুৰা খণ্ড, আতিথ্য আদিৰ লেখীয়া খণ্ডসমূহত কাৰিকৰী আৰু বৃত্তিমুখী প্ৰশিক্ষণ প্ৰদানৰ অৰ্থে আই টি ই এছ, ছিংগাপুৰৰ সহযোগত উত্তৰ-পূব দক্ষতা কেন্দ্ৰটো স্থাপন কৰিবলৈ লোৱা হৈছে। মূল্য সংযোজনৰ বাবে ছেমছাং, হুণ্ডাই মটৰচ, লেকমি ইণ্ডিয়া, টাটা মটৰচ, মাৰুতি, অ' এন জি চি ইত্যাদিৰ লেখীয়া উদ্যাগ খণ্ডসমূহৰ সৈতে সহযোগিতা বৃদ্ধি কৰা হৈছে। প্ৰশিক্ষণ প্ৰাপ্ত প্ৰাৰ্থীসকলক নিযুক্তিৰ সৈতে জৰিতকৰণ প্ৰাৰ্থীৰ মতামত, নিৰীক্ষণ আৰু অনুসন্ধানৰ বাবে DAKSHA- Digital Access to Knowledge and Skilled Human Resources of Assam নামৰ এটা মোবাইল এপ আৰম্ভ কৰা হৈছে।

প্ৰতিবছৰে বিভিন্ন ক্ষেত্ৰত ১০,০০০ তকৈ অধিক যুৱক-যুৱতীক দক্ষ কৰি তোলাৰ অৰ্থে মঙলদৈত ১৫০ বিঘা ভূমিত এখন দক্ষতা নগৰী গঢ়ি তোলা হ'ব। নিয়োগ বিনিময় কেন্দ্ৰসমূহত দক্ষতা বিকাশ তথা কেৰিয়াৰ পৰামৰ্শকাৰী কেন্দ্ৰলৈ পুনৰ গঠন তথা সলনি কৰাৰ বাবে পদক্ষেপ হাতত লোৱা হৈছে। কৃষি, কাঁহ শিল্প, ৰেচম, বাঁহ-বেত, মীনপালন আদিৰ লেখীয়া পৰম্পৰাগত বৃত্তিসমূহৰ ক্ষেত্ৰত ১ লাখতকৈ অধিক ব্যক্তিক সামৰি লোৱাৰ অৰ্থে Recognition of Prior Learning ৰ ওপৰত পাঠ্যক্ৰম প্ৰদান কৰা হ'ব। সমগ্ৰ দেশ তথা পূব এচীয় দেশসমূহলৈ দক্ষ মানৱ সম্পদ যোগান ধৰিব পৰাকৈ অসমক মূল কেন্দ্ৰ হিচাপে গঢ়ি তুলিবলৈ জাপানীজ, মেণ্ডাৰীণ আদিৰ নিচিনা বিদেশী ভাষা শিকোৱা বিদ্যালয় স্থাপন কৰা হ'ব।

২০১৭ চনৰ জুলাই মাহত এখন দুদিনীয়া নিয়োগমেলা অনুষ্ঠিত কৰা

হৈছিল। ইয়াত কাৰিকৰী আৰু অ-কাৰিকৰী এই দুয়োবিধ পদৰ বিপৰিতে বিভিন্ন নিয়োগ কৰ্ত্তাই ৩৬৯ গৰাকী প্ৰাৰ্থীলৈ নিয়োগ পত্ৰ প্ৰদান কৰিছিল। আই টি আই , গুৱাহাটী ‘ একুৱাকালচাৰ’ (Aquaculture) ৰ ওপৰত এক হ্ৰস্বকালীন প্ৰশিক্ষণ কাৰ্যসূচী অনুষ্ঠিত কৰা হৈছিল়। দিবাংগসকলৰ বাবে ডিব্ৰুগড়ত এখন আই টি আই স্থাপনৰ আধাৰশিলা স্থাপন কৰা হৈছে আৰু ই হ’ল এই দিশত অঞ্চলটোৰ ভিতৰতে প্ৰথম। “কাৰাগাৰৰ পৰা কাৰিকৰ” কাৰ্যসূচীৰ অংশহিচাপে যোৰহাট কেন্দ্ৰীয় কাৰাগাৰত কাৰাবন্দীসকলৰ বাবে বৈদ্যুতিক বিষয়ৰ পাঠ্যক্ৰমৰ ওপৰত এক হ্ৰস্বকালীন প্ৰশিক্ষণ কাৰ্যসূচী অনুষ্ঠিত কৰা হৈছে। আই টি আইৰ ছাত্ৰ-ছাত্ৰীসকলৰ বাবে E D I I, আহমেদাবাদ আৰু FINER ৰ সহযোগত উদ্যমিতাৰ বিকাশ সম্পৰ্কীয় এক সজাগতা কাৰ্যসূচীৰ আয়োজন কৰা হৈছে।

মোৰ চৰকাৰে প্ৰতিবছৰে ১.৫ লাখ যুৱক-যুৱতীক দক্ষ কৰি তোলাৰ লক্ষ্য লৈছে। অলপতে স্থাপন কৰা ২৪৯ টা দক্ষতা কেন্দ্ৰৰ উপৰিও আৰু প্ৰায় ৩০০ টা দক্ষতা কেন্দ্ৰ শীঘ্ৰে মুকলি কৰা হ’ব।

**পঞ্চায়ত আৰু গ্ৰামোন্নয়ন ঃ**

মোৰ চৰকাৰখনে অদক্ষ কায়িক শ্ৰমিকসকললৈ বহনক্ষম উপাৰ্জন সৃষ্টিকাৰী কৰ্ম আৰু মজুৰিভিত্তিক নিযুক্তি প্ৰদানৰ জৰিয়তে গ্ৰাম্য দৰিদ্ৰতা নিৰ্মূলকৰণ আৰু দৰিদ্ৰ গঞাৰ জীৱনৰ মান উন্নীতকৰণৰ বাবে বিভিন্ন ধ্বজাবাহী কাৰ্যসূচী ৰূপায়ণ কৰি আহিছে। আত্মসহায়ক গোটৰ জৰিয়তে ৰাইজক সংগঠিত কৰি আৰু বিত্তীয় সাহায্য, প্ৰশিক্ষণ, প্ৰচাৰ আৰু আৱশ্যকীয় সাহায্য আগবঢ়াই গ্ৰাম্য এলেকাত সামগ্ৰিক বৃদ্ধিৰ ওপৰত গুৰুত্ব প্ৰদান কৰা হৈছে।

মহাত্মা গান্ধী ৰাষ্ট্ৰীয় গ্ৰাম্য নিয়োগ নিশ্চিতকৰণ আইনৰ (এমজিএনৰেগা) অধীনত ১০ জানুৱাৰী, ২০১৮ পৰ্যন্ত ৩.৬ কোটি শ্ৰমদিন সৃষ্টি কৰা হৈছে আৰু ১৪ লাখ পৰিয়াললৈ নিযুক্তি আগবঢ়োৱা হৈছে, ইয়াৰ ভিতৰত ৫৭০০

টাতকৈয়ো অধিক পৰিয়ালে ১০০ দিন সম্পূৰ্ণ কৰিছে। ৪২ লাখতকৈ অধিক পৰিয়াললৈ জব কাৰ্ড প্ৰদান কৰা হৈছে। ৭২০০ তকৈও অধিক বিশেষভাৱে দিব্যাংগলৈ নিযুক্তিৰ ব্যৱস্থা কৰা হৈছে। এই পৰ্যন্ত ২০০৬-০৭ বৰ্ষত কাৰ্যসূচীখন প্ৰৱৰ্ত্তন কৰাৰে পৰা এই কাৰ্যসূচীখনৰ অধীনত ২ লাখ আঁচনি সম্পূৰ্ণ কৰা হৈছে। চলিত বৰ্ষত মহিলাৰ অংশগ্ৰহণো ৪০% লৈ বৃদ্ধি পাইছে, যিটো বাধ্যতামূলক হাৰ ৩৩% তকৈ অধিক। অধিক স্বচ্ছতাৰ বাবে কৰ্মক্ষেত্ৰত প্ৰতিগৰাকী জৱ-কাৰ্ড ধাৰকৰ জিম্মাত নিজা নিজা জৱ কাৰ্ডসমূহ ৰখাটো নিশ্চিত কৰিবলৈ ৯৪% জৱ কাৰ্ডৰ পুনৰীক্ষণ কৰা হৈছে। তদুপৰি এই কাৰ্যসূচীৰ অধীনৰ সকলো সা-সম্পত্তিৰ জিঅ'-টেগিং কৰিবলৈ লোৱা হৈছে।

পি এম ৰাই জি (প্ৰধানমন্ত্ৰীৰ আৱাস যোজনা-গ্ৰামীণ)ৰ অধীনত যোগ্য হিতাধিকাৰীসকললৈ প্ৰায় ২.৬ লাখ ঘৰ প্ৰদানৰ লক্ষ্য লোৱা হৈছে। ইয়াৰ লগতে শৌচাগাৰৰ বাবে অতিৰিক্ত ১২০০০ টকাকৈ আৰু হিতাধিকাৰীসকলৰ বাবে এম জি এনৰেগাৰ অধীনত ৯৫ দিনৰ কামৰ বাবে ১৭২৯০ টকাকৈ প্ৰদান কৰা হৈছে।

এনএছএপি (ৰাষ্ট্ৰীয় সামাজিক সহায়তা কাৰ্যসূচী)ৰ অধীনত সম্প্ৰতি ৭ লাখতকৈও অধিক হিতাধিকাৰী মহিলী পেঞ্চনৰ দ্বাৰা উপকৃত হৈছে। তেনেদৰে ইন্দিৰা গান্ধী ৰাষ্ট্ৰীয় বৃদ্ধ কালীন পেঞ্চন আঁচনিৰ অধীনত ৫.৮৯ লাখতকৈও অধিক হিতাধিকাৰীলৈ মাহিলী পেঞ্চন আগবঢ়োৱা হৈছে। ৯১০০০ তকৈও অধিক হিতাধিকাৰীৰ বাবে ইন্দিৰা গান্ধী ৰাষ্ট্ৰীয় বিধবা পেঞ্চন আঁচনিৰ অধীনত পেঞ্চনৰ ব্যৱস্থা কৰা হৈছে। আনহাতে ইন্দিৰা গান্ধী ৰাষ্ট্ৰীয় অক্ষম ব্যক্তি পেঞ্চন আঁচনিৰ অধীনত ২৮০০০ তকৈও অধিক হিতাধিকাৰীক মাহিলী পেঞ্চন দিয়া হৈছে। ৰাষ্ট্ৰীয় পৰিয়াল কল্যাণ আঁচনিৰ অধীনত পৰিয়ালৰ একমাত্ৰ উপাৰ্জনকাৰীৰ (১৮ ৰ পৰা ৫৯ বয়সৰ ভিতৰত) মৃত্যুৰ পৰিপেক্ষিতত প্ৰায় ১২,০০০ পৰিয়াললৈ ২০,০০০ টকাকৈ এককালীন আৰ্থিক সাহায্য প্ৰদান

কৰা হয়। হিতাধিকাৰীসকলৰ সকলো তথ্য ডিজিটাইজড কৰা হৈছে আৰু ৰাজহুৱাকৈ উপলব্ধ কৰা হৈছে।

ত্ৰয়োদশ আৰু চতুৰ্দশ বিত্ত আয়োগৰ অনুদান আৰু চতুৰ্থ ৰাজ্যিক বিত্ত আয়োগৰঅনুদানৰ অধীনত এক গৰিষ্ঠ সংখ্যক গ্ৰাম্য সম্পদ যেনে কালভাৰ্ট, ৰাজহুৱা ভৱন,বজাৰ গৃহ,বহুমুখীভৱন ইত্যাদি নিৰ্মান কৰা হয়।

পঞ্চায়তৰ নিৰ্বাচিত প্ৰতিনিধিসকল, বিষয়াবৰ্গ, বিভিন্ন অনুষ্ঠানৰ প্ৰতিনিধিবৰ্গ, নিবনুৱা যুৱক-যুৱতী, মহিলা, কৃষকসকলৰ লগতে গ্ৰামোন্নয়ন আৰু পঞ্চায়তীৰাজৰ লগত জড়িত সমূহ অংশীদাৰসকলৰ যোগ্যতা, সামৰ্থ বৰ্দ্ধনৰ বাবে ৰাজ্যিক গ্ৰামোন্নয়ন প্ৰতিষ্ঠানে সময়ে সময়ে বিভিন্ন পাঠ্যক্ৰমৰ আয়োজন কৰি আহিছে। এচ আই পি আৰ ডি (SIPRD) এ মে- জুন,২০১৭ ত ৰাজ্যত প্ৰথম বাৰৰ বাবে গ্ৰহণ কৰা 'আমাৰ গাঁও আমাৰ আঁচনি'ৰ অধীনত গাঁও পঞ্চায়ত উন্নয়ন আঁচনি প্ৰস্তুতিৰ কামত সমন্বয় ৰক্ষা কৰিছিল। ৰাজ্যৰ স্বায়ত্বশাসিত জিলাসমূহৰ  স্থানীয় নিকায়সমূহত পোন প্ৰথমবাৰৰ বাবে অংশীদাৰী পৰিকল্পনা প্ৰস্তুতিৰ প্ৰক্ৰিয়া  আৰম্ভ কৰা হৈছে।

মোৰ চৰকাৰে দীনদয়াল অন্তোদয়া যোজনা- ৰাষ্ট্ৰীয় গ্ৰামীণ জীৱিকা মিছন (DAY-NRLM) ৰূপায়ণ কৰি আছে। এই উদ্দেশ্যে অসম ৰাজ্যিক গ্ৰাম্য জীৱিকা মিছনে (ASRLM) তিনিখলপীয়া সাংগঠনিক ব্যৱস্থা যেনে ৰাজ্যিক, জিলা আৰু খণ্ড পৰ্যায়ত স্থাপন কৰিছে। ২০১২ চনত স্থাপন হোৱাৰ পিছৰ পৰা এ এছ আৰ এল এম (ASRLM)  স্থাপন হোৱাৰ পিছৰ পৰা ৮৮ টা খণ্ড মিছন ব্যৱস্থাপনা গোট আৰু ১৪ টা জিলা মিছন ব্যৱস্থাপনা গোট স্থাপন কৰা হৈছে। ২০১৭-১৮ বৰ্ষৰ শেষলৈ ১০ টা অতিৰিক্ত গোট  জিলা আৰু ৬০ টা অতিৰিক্ত খণ্ড এ এছ আৰ এল এম এ (ASRLM) ৰ সংগঠনৰ অন্তৰ্ভূক্ত হৈ পৰিব। ২০১৬ ৰ  মে মাহৰ পৰা ২০১৭ চনৰ নৱেম্বৰ মাহলৈ ৪২,০০০ টাতকৈ অধিক আত্ম সহায়ক গোটক উন্নীত কৰা হৈছে। এ এছ আৰ

এল এম(ASRLM) এ 'কনকলতা মহিলা সৱলীকৰণ  যোজনা', 'মহিলা কিষান সশক্তিকৰণ পৰিযোজনা' ৰূপায়ণ কৰাৰ লগতে বাগান বজাৰ স্থাপন কৰা, আত্মসহায়ক গোটসমূহৰ লেনদেন ডিজিটাইজেচন কৰা, পঞ্চায়তীৰাজ প্ৰতিষ্ঠানসমূহ আৰু ৰাজহুৱা অনুষ্ঠান সমূহৰ লগত কনভাৰজেঞ্চ প্ৰকল্প ৰূপায়নৰ উপৰি মূল্য ধাৰাবাহিকতা উন্নয়ন প্ৰকল্প বিভিন্ন জীৱিকা অভ্যাস যেনে পাহাৰৰ ঝাডু আৰু মাকৈ খেতি, হস্ততাঁত, ঘৰুৱা  বাগিচা, মেটেকা শিল্প,কাঠফুলা খেতি ইত্যাদি ক্ষেত্ৰত ৰূপায়ণৰ দিশত অগ্ৰসৰ হৈছে। বিভিন্ন ধৰণৰ  প্ৰশিক্ষণ কাৰ্যসূচী আয়োজনৰ মাধ্যমেৰে সকলো আত্মসহায়ক গোটসমূহক আত্মনিৰ্ভৰশীল ৰাজহুৱা প্ৰতিষ্ঠানৰূপে গঠন কৰাৰ ব্যৱস্থা গ্ৰহণ কৰা হৈছে।

২০১৭ বৰ্ষৰ নৱেম্বৰ মাহৰ শেষলৈ এ এছ আৰ এল এম-ৰ অধীনত ৰূপায়ণ হৈ থকা দীনদয়াল গ্ৰামীণ দক্ষতা যোজনাৰ অধীনত ১৮,০০০ তকৈ অধিক গ্ৰামীণ যুৱক-যুৱতীক বিভিন্ন শিতানত দক্ষতা প্ৰশিক্ষণ প্ৰদান কৰা হয়। মোৰ চৰকাৰে ৰাজ্যৰ প্ৰায় ১৪,০০০ যুৱক-যুৱতীক বিভিন্ন বৃত্তিৰ প্ৰশিক্ষণ প্ৰদান কৰিছে আৰু ইয়াৰে  ৩,২০০ তকৈ অধিক গৰাকীয়ে দেশৰ বিভিন্ন প্ৰতিষ্ঠানত নিযুক্তি লাভ কৰিবলৈ সক্ষম হৈছে।

**পেঞ্চন আৰু ৰাজহুৱা ওজৰ-আপত্তি ঃ**

মোৰ চৰকাৰে ২০১৭ চনত অনুকম্পামূলক নিযুক্তিৰ পৰিৱৰ্তে অনুকম্পামূলক পৰিয়াল পেঞ্চন আঁচনি প্ৰৱৰ্তন কৰে আৰু ( যিসকল চৰকাৰী চাকৰিয়াল চাকৰিকালতে মৃত্যুবৰণ কৰিছে তেওঁলোকৰ পৰিয়ালৰ কল্যাণৰ হকে) নীতি-নিৰ্দেশনা জাৰি কৰিছে। এই আঁচনি ৰূপায়ণ এই বাবে প্ৰৱৰ্তন কৰা হৈছে যিহেতু চলিত অনুকম্পামূলক নিযুক্তি  নীতি ইয়াৰ উদেশ্য সাধনত ব্যৰ্থ হোৱাৰ লগতে বহু ক্ষেত্ৰত বৈধ উত্তৰাধিকাৰীসকলে তৎকালীনভাৱে নিযুক্তি লাভত ব্যৰ্থ হোৱা পৰিলক্ষিত হৈছে।

**ছপা আৰু মুদ্ৰণ ঃ**

মোৰ চৰকাৰে জুলাই,২০১৬ ৰ পৰা ই-গেজেট প্ৰকাশৰ ব্যৱস্থা প্ৰবৰ্ত্তন

কৰে। এতিয়াৰ পৰা ছপা আৰু মূদ্ৰণ সঞ্চালকালয়ৰ ৱেবছাইট dpns.assam.gov.in ত অসম গেজেট উপলব্ধ হ'ব। বৰ্ত্তমানে তথ্য আৰু জনসংযোগ সঞ্চালকালয়ৰ দ্বাৰা প্ৰকাশিত ৰঙীন পযেকীয়া আলোচনী "ৰাইজৰ বাতৰি" অসম চৰকাৰী ছপাশালত ছপা কৰা হৈছে। অসম চৰকাৰী ছপাশাল আৰু ইয়াৰ শাখাসমূহ আধুনিক ডিজিটেল ছপা প্ৰযুক্তি সমৃদ্ধ হোৱাৰ পথত অগ্ৰসৰ হৈছে, যাৰ দ্বাৰা তৎকালীনভাৱে প্ৰয়োজনীয় আৰু সময়-নিৰ্দ্ধাৰিত কাৰ্যসমূহ দক্ষতাৰে সমাপন কৰাত সহায়ক হ'ব।

**শক্তি ঃ**

শক্তিখণ্ড হৈছে মোৰ চৰকাৰৰ এক অন্যতম মুখ্য অগ্ৰাধিকাৰৰ বিষয়। ৰাজ্যখনৰ শক্তি উৎপাদন ক্ষমতা বৃদ্ধিৰ অৰ্থে মোৰ চৰকাৰে ২০১৮ চনত কাৰ্যক্ষম কৰাৰ লক্ষ্যৰে বহুসংখ্যক প্ৰকল্প হাতত লৈছে। ইয়াৰ ভিতৰত আছে লাকুৱা আৰু নামৰূপ ৰিপ্লেচমেন্ট শক্তি প্ৰকল্প তথা মিন্ট্ৰিয়াং ক্ষুদ্ৰ জলবিদ্যুত প্ৰকল্প। নবীকৰণযোগ্য শক্তি বৃদ্ধিৰ অৰ্থে ৰাজ্যখনৰ সৌৰশক্তি নীতি প্ৰস্তুত কৰা হৈছে আৰু আমগুৰিত ৮০ মেগাৱাট শক্তি সম্পন্ন সৌৰশক্তি উদ্যান স্থাপন কৰাৰ বাবে কাম-কাজ আৰম্ভ কৰা হৈছে। ৰাইজৰ মাজত Roof Top Solar Photonoltaic-ৰ প্ৰসাৰৰ বাবে কাম কৰি থকা হৈছে। গ্ৰীড যোগাযোগ ব্যৱস্থাৰ উন্নয়ন সাধনৰ বাবে সৰবৰাহ গ্ৰীড নেটৱৰ্ক অধিক দক্ষতাৰে ব্যৱহাৰ কৰিবলৈ কেবাটাও প্ৰকল্প হাতত লোৱা হৈছে। দীনদয়াল উপাধ্যায় গ্ৰামজ্যোতি যোজনাৰ (DDUGJY) অধীনত ২০১৭ চনৰ ডিচেম্বৰৰ ভিতৰত অসমৰ সকলোবোৰ বিদ্যুৎ সংযোগ নথকা গাঁৱলৈকে বিদ্যুৎ সংযোগৰ ব্যৱস্থা কৰা হৈছে। প্ৰায় ১০,০০০ খন আংশিকভাৱে বিদ্যুৎ সংযোগ থকা গাঁৱৰ ভিতৰত ৪,৭০০ খনৰো অধিক গাঁৱলৈ বিদ্যুৎ সংযোগৰ ব্যৱস্থা কৰা হৈছে। ১০০% বিদ্যুৎ সংযোগৰ ব্যৱস্থা কৰাৰ বাবে SAUBHAGYAআঁচনিৰ অধীনত ২০১৯ চনৰ মাৰ্চ মাহৰ ভিতৰত অসমৰ সকলো পৰিয়াললৈকে বিদ্যুৎ সংযোগৰ ব্যৱস্থা কৰা হ'ব। ৰাজ্যখনত মানবিশিষ্ট শক্তিৰ বাবে বিতৰণ নেটৱৰ্কৰ সংস্কাৰ সাধন আৰু শক্তিশালীকৰণৰ

প্ৰতি গুৰুত্ব আৰোপ কৰা হৈছে। পুনঃসজ্জিত ত্বৰান্বিত শক্তি উন্নয়ন আৰু সংস্কাৰ কাৰ্যসূচী (R-APDRP) আঁচনিৰ অধীনত গুৱাহাটীকে ধৰি অসমৰ ৬৭ খন চহৰত তথ্য প্ৰযুক্তি পদ্ধতিৰ ব্যৱহাৰ আৰু উপ-বিতৰণ নেটৱৰ্ক শক্তিশালীকৰণৰ কাম প্ৰায় সম্পূৰ্ণ হৈছে। বিদ্যুৎ মাচুল দিয়াৰ অন্‌লাইন ব্যৱস্থা আৰম্ভ কৰা হৈছে। গুৱাহাটীত এটা কেন্দ্ৰীয় গ্ৰাহক সেৱা কেন্দ্ৰ স্থাপন কৰা হৈছে। যিকোনো পৰিস্থিতিতে বিদ্যুতৰ যোগান অব্যাহত ৰাখিবলৈ গুৱাহাটীত ছুপাৰভাইজৰি কন্ট্ৰ'ল এণ্ড ডাটা একুইজিশ্যন পদ্ধতিৰ সূচনা কৰা হৈছে। গুৱাহাটীত এক পাইলট স্মাৰ্ট গ্ৰীড প্ৰকল্প আৰম্ভ কৰিবলৈ লোৱা হৈছে। অলপতে সংহত শক্তি বিতৰণ আঁচনিৰ অধীনত ৮৮ খন চহৰত তথ্য-প্ৰযুক্তি পদ্ধতিৰ ব্যৱহাৰ আৰু উপ-বিতৰণ নেটৱৰ্ক শক্তিশালীকৰণৰ কাম হাতত লোৱা হৈছে।

'ইজ অৱ ডুয়িং বিজনেছ'ৰ বাবে ২০১৭ চনৰ অক্টোবৰৰ পৰা বিদ্যুৎ পৰিদৰ্শকৰ কাৰ্যালয়ৰ সৈতে জড়িত সকলো 'জি টু বি' সেৱাসমূহ অন্‌লাইন কৰা হৈছে আৰু সেইবোৰ সেৱা 'ছিংগল উইণ্ড' ক্লিয়াৰেঞ্চ ছিষ্টেমৰ জৰিয়তে আগবঢ়োৱা হৈছে। জনসাধাৰণৰ সুৰক্ষা সুনিশ্চিত কৰাৰ অৰ্থে পেণ্ডেলত অস্থায়ীভাৱে স্থাপন কৰা বৈদ্যুতিক ব্যৱস্থা, ষ্ট্ৰীট লাইট/ ৰাজহুৱা পথত স্থাপন কৰা বিদ্যুতেৰে আলোকিত বিলবোৰ্ড/ হ'ৰ্ডিং, ইনভাৰ্টাৰকে ধৰি বিশেষকৈ বাৰিষাকালত বৈদ্যুতিক সৰঞ্জামৰ ব্যৱহাৰ সম্পৰ্কীয় নীতি-নিৰ্দেশনাও পৰিদৰ্শকৰ কাৰ্যালয়ৰ দ্বাৰা জাৰি কৰা হৈছে।

**গড়কাপ্তানী ঃ**

অসম চৰকাৰে ৰাজ্যখনৰ পথ সংযোগ নেটৱৰ্কৰ উন্নীতকৰণৰ বাবে প্ৰতিশ্ৰুতিবদ্ধ। অসমত ৰাষ্ট্ৰীয় ঘাইপথসমূহৰ মুঠ দৈৰ্ঘ্য বৰ্ত্তমানৰ ৩৯০০ কিঃমিৰ পৰা ৭০০০ কিঃমি লৈ বৃদ্ধি কৰা হ'ব। নুমলীগড়ৰ পৰা ডিব্ৰুগড় আৰু কলিয়াবৰৰ পৰা হলঙিলৈ প্ৰায় ৪০০ কিঃমিঃ দুইলেনযুক্ত ৰাষ্ট্ৰীয় ঘাইপথৰ চাৰিলেনযুক্তকৰণৰ কাম চলি আছে। ৩৭-ক নং ৰাষ্ট্ৰীয় ঘাইপথৰ ওপৰত

কলিয়াভোমোৰা দলঙৰ কাষত অতিৰিক্ত দলং নিৰ্মাণৰ কাম আগবাঢ়িছে। ধুবুৰী-ফুলবাৰী, গহপুৰ-নুমলীগড়, দিচাংমুখ-টেকেলিফুটা আৰু কমলাবাৰী-নিমাটীঘাটৰ মাজত ব্ৰহ্মপুত্ৰৰ ওপৰত চাৰিখন অতিৰিক্ত দলং নিৰ্মাণৰ বাবে বিস্তৃত প্ৰকল্প প্ৰতিবেদন প্ৰস্তুতিৰ কাম চলি আছে। গুৱাহাটীৰ ওচৰৰ নাৰেংগী আৰু কুৰুৱাৰ মাজত ব্ৰহ্মপুত্ৰ নদীৰ ওপৰত প্ৰস্তাৱিত ৬ লেনযুক্ত দলঙৰ সম্ভাৱনীয়তা অধ্যয়নৰ কাম সম্পূৰ্ণ হৈছে।

গৃহ নিৰ্মাণ খণ্ডত মোৰ চৰকাৰে কেইবাটাও বৃহৎ গৃহ নিৰ্মাণ আন্তঃগাঁথনি সম্পূৰ্ণ কৰিছে। গুৱাহাটী চিকিৎসা মহাবিদ্যালয়ত ২০০ বিচনাযুক্ত কৰ্কট ৰোগ চিকিৎসা মহাবিদ্যালয়, কৰিমগঞ্জত বৰাক উপত্যকা অভিযান্ত্ৰিক মহাবিদ্যালয় আৰু কোকৰাঝাৰত বিনেশ্বৰ ব্ৰহ্ম অভিযান্ত্ৰিক মহাবিদ্যালয়ৰ নিৰ্মাণ সম্পূৰ্ণ হৈছে। চেন্নাইত অসম ভৱনৰ নিৰ্মাণ সম্পূৰ্ণ হৈছে। কলকাতাত অতিৰিক্ত অসম ভৱন নিৰ্মাণৰ কাম সম্পূৰ্ণ হোৱাৰ পথত। আমিনগাঁৱত ৰাষ্ট্ৰীয় আইন বিদ্যালয় আৰু অসম ন্যায়িক একাডেমীৰ প্ৰথম পৰ্যায়ৰ নিৰ্মাণ সম্পূৰ্ণ হৈছে আৰু কাৰ্যক্ষম হৈ উঠিছে। ১১ খন নতুন পলিটেকনিক নিৰ্মাণৰ কাম সম্পূৰ্ণ হৈছে আৰু এইসমূহ কাৰ্যক্ষম হৈ উঠিছে। নদীদ্বীপ মাজুলীৰ আন্তঃগাঁথনি উন্নয়নৰ বাবে সংহত কাৰ্যালয় চৌহদ তথা আৱাসিক ভৱন নিৰ্মাণ কৰাৰ বাবে ব্যৱস্থা গ্ৰহণ কৰা হৈছে।

পি এম জি এছ ৱাই আৰু কেন্দ্ৰীয় পথ পুঁজিৰ অধীনত পথ আৰু দলঙৰ বাবে পৰ্যাপ্ত পুঁজি আবণ্টন কৰা হৈছে। বিশ্ব বেংকৰ সাহায্যপ্ৰাপ্ত অসম ৰাজ্যিক পথ প্ৰকল্প চলি আছে। ৰাজ্যৰ ৰাষ্ট্ৰীয় ঘাইপথ আৰু জিলাসমূহৰ প্ৰধান পথসমূহৰ উন্নীতকৰণ আৰু পুণৰ সংস্থাপনকে ধৰি পথৰ কাম-কাজ যথেষ্ট আগবাঢ়িছে আৰু এনে অধিক কাম অব্যাহত হৈ আছে।

**জনস্বাস্থ্য কাৰিকৰী ঃ**

আৰ্চেনিক আৰু ফ্ল'ৰাইডৰ দ্বাৰা আক্ৰান্ত বসতিস্থানসমূহত এই সমস্যা

সমাধান কৰাৰ ওপৰত মোৰ চৰকাৰে উচ্চ অগ্ৰাধিকাৰ প্ৰদান কৰিছে। এই সমস্যা দূৰ কৰাৰ অৰ্থে বিভিন্ন হ্ৰস্বম্যাদী আৰু দীৰ্ঘম্যাদী সমাধান ব্যৱস্থা গ্ৰহণ কৰা হৈছে, যেনে- সমূহীয়া পানী বিশুদ্ধকৰণ প্ৰকল্প, সৌৰশক্তিসহ কুঁৱা, চিংগুৰ হস্তচালিত কুঁৱা, পাইপেৰে পানী যোগান আঁচনি আদি হাতত লোৱা হৈছে। নীৰ নিৰ্মল পৰিযোজনাৰ অধীনত নিৰ্বাচিত গাঁও পঞ্চায়ত সমূহৰ প্ৰতিটো পৰিয়াললৈ মিটাৰযুক্ত অহৰ্নিশে পানী যোগান ধৰাৰ উদ্দেশ্যে কামৰূপ (মহানগৰ), যোৰহাট, হাইলাকান্দি, শিৱসাগৰ, মৰিগাঁও, বঙাইগাঁও আৰু শোণিতপুৰ জিলাক সামৰি সাতখন বৃহৎ বহুগাঁওযুক্ত আঁচনি হাতত লোৱা হৈছে। গোটা জুলীয়া আবৰ্জনা নিষ্কাষণ ব্যৱস্থাপনা হ'ল নীৰ নিৰ্মল পৰিযোজনাৰ আন এক উপাদান। কামৰূপ (মহানগৰ) জিলাৰ চন্দ্ৰপুৰ গাঁও পঞ্চায়তৰ তাতীমৰা গাঁৱত গোটা জুলীয়া আৱৰ্জনা নিষ্কাষণ ব্যৱস্থাপনা(SLWM) ৰ অধীনত এটা পাইলট প্ৰকল্পৰ কাম আৰম্ভ কৰা হৈছে। স্বচ্ছ ভাৰত অভিযানৰ লক্ষ্যত উপনীত হোৱাৰ বাবে অসমৰ গ্ৰামাঞ্চলৰ ৰাইজৰ মাজত দীৰ্ঘম্যাদী ব্যৱহাৰিক পৰিৱৰ্তন আনিবলৈ সজাগতা সৃষ্টি, অনাময় আৰু স্বাস্থ্যসন্মত সা-সুবিধাৰ সমান্তৰালভাৱে গোটা জুলীয়া আৱৰ্জনা নিষ্কাষণ ব্যৱস্থাপনাৰ বাবে চাহিদা সৃষ্টিৰ ওপৰত মোৰ চৰকাৰে যথেষ্ট গুৰুত্ব আৰোপ কৰিছে। ৰাজ্যখনৰ গ্ৰামাঞ্চলসমূহৰ সকলো পৰিয়াললৈ ২০১৮ চনৰ ভিতৰত শৌচাগাৰৰ সা-সুবিধা প্ৰদান কৰিবলৈ সিদ্ধান্ত গ্ৰহণ কৰা হৈছে। বৰ্তমানলৈকে ৪ খন জিলা, ২৫ টা খণ্ড, ৭৭০০ খনৰো অধিক গাঁৱক সামৰি ৪১২ গাঁও খন পঞ্চায়তক মুকলি স্থানত মলত্যাগমুক্ত হিচাপে ঘোষণা কৰা হৈছে।

**ৰাজহ ঃ**

মোৰ চৰকাৰে ২৪ খন জিলাত সংহত মাটিৰ অভিলেখন ব্যৱস্থাপনা পদ্ধতি (Integrated Land Records Management System)ILRMS অৱলম্বন কৰিছে আৰু বাকীকেইখন জিলাকো সামৰি লোৱাৰ প্ৰক্ৰিয়া চলি

আছে। যিকোনো ব্যক্তিয়ে www.revenueassam.nic.in ৱেবচাইটযোগে নিজৰ মাটিৰ অভিলেখন প্ৰত্যক্ষ কৰিব পাৰিব। মোৰ চৰকাৰে ILRMS ৰ অধীনত ২৮,০০০ হাজাৰ কেডেষ্ট্ৰেল মেপ ছীট আৰু ডিজিটেল মেপ ৰাজহুৱা প্ৰদৰ্শনৰ বাবে ডিজিটেলাইজ কৰিছে। তদুপৰি মৌজাদাৰী ব্যৱস্থাৰ আধুনিকীকৰণৰ কেইবাটাও পদক্ষেপ হাতত লোৱা হৈছে। মৌজাদাৰসকলক কাৰ্যালয়ত কম্পিউটাৰ স্থাপন আৰু আনুসংগিক সা-সঁজুলিৰ বাবে ৫০,০০০ টকাকৈ এককালীন অতিৰিক্ত কমিছন প্ৰদান কৰা হৈছে। মাটিৰ ৰাজহ সংগ্ৰহৰ এটা ছফটৱেৰ উন্নয়ন সাধন কৰা হৈছে যাতে মাটিৰ ৰাজহ আদায় অনলাইনযোগে কৰিব পৰা যায়। মোৰ চৰকাৰে 'ভিলেজ গ্ৰেজিং ৰিজাৰ্ভ' আৰু 'প্ৰফেচনেল গ্ৰেজিং ৰিজাৰ্ভ' জি আই এছ মেপিঙৰ বাবে ব্যৱস্থা গ্ৰহণ কৰিছে। ডিমা-হাছাও, পূব আৰু পশ্চিম কাৰ্বিআংলঙৰ বাদে আন সকলো জিলাত ই-ষ্টাম্পিং সুবিধাৰ ব্যৱস্থা কৰিছে। সকলো উপায়ুক্তৰ কাৰ্যালয়, চক্ৰ বিষয়াৰ কাৰ্যালয়, উপ-পঞ্জীয়কৰ কাৰ্যালয়সমূহ জিলা তথ্য কেন্দ্ৰ আৰু মাটি অভিলেখন আৰু সমীক্ষা সঞ্চালকালয়ক সংলগ্ন কৰা হৈছে।

মাননীয় সদস্যসকল, অসমৰ খিলঞ্জীয়া মানুহখিনিৰ মাটিৰ অধিকাৰ সংৰক্ষণৰ বাবে ভাৰতৰ প্ৰাক্তন নিৰ্বাচন আয়ুক্ত এইছ. এছ. ব্ৰহ্মাৰ অধ্যক্ষতাত এখন সমিতি গঠন কৰা হৈছে আৰু এই সমিতিয়ে আইন, নিয়মাৱলী, নীতি ইত্যাদিৰ সলনিকে ধৰি সাম্ভাব্য সমাধানৰ প্ৰতি দৃষ্টি নিক্ষেপ কৰি আছে।

মোৰ চৰকাৰে বাকী থকা জৰীপ নোহোৱা গাঁৱসমূহৰ জৰীপৰ কাম আৰম্ভ কৰিছে, যিটো আধুনিক প্ৰযুক্তিৰ সহায়ত কৰা হ'ব। চৰকাৰে ট্ৰলফ্ৰী নম্বৰৰ (ৰাজ্যিক পৰ্যায়ত ১,০৭০ আৰু জিলা পৰ্যায়ত ১,০৭৭) ব্যৱস্থা কৰিছে যাতে বেদখলকে ধৰি ৰাজহ সম্পৰ্কীয় ৰাইজৰ বিভিন্ন অভিযোগসমূহৰ দ্ৰুত নিষ্পত্তিৰ ব্যৱস্থা কৰিব পৰা যায়। ভিলেইজ গ্ৰেজিং ৰিজাৰ্ভ, প্ৰফেছনেল গ্ৰেজিং ৰিজাৰ্ভ, আদ্ৰ ভূমি আৰু অন্যান্য গুৰুত্বপূৰ্ণ চৰকাৰী ভূমি মোৰ চৰকাৰে

বেদখলমুক্ত কৰাৰ বাবে পদক্ষেপ গ্ৰহণ কৰিছে। যোৱা এটা বছৰত ১২৫০০ বিঘা চৰকাৰী ভূমি বেদখলমুক্ত কৰা হৈছে।

**বিজ্ঞান আৰু প্ৰযুক্তি ঃ**

সৰ্বসাধাৰণৰ মাজত বিজ্ঞানক জনপ্ৰিয় কৰাৰ বাবে আৰু ৰাজ্যত নতুন উন্নতমানৰ প্ৰতিষ্ঠান স্থাপন কৰাত মোৰ চৰকাৰে অগ্ৰাধিকাৰ প্ৰদান কৰিছে। গুৱাহাটীত অসম বিজ্ঞান মহোৎসৱ অনুষ্ঠিত কৰা হয় আৰু এই মহোৎসৱত ৰাষ্ট্ৰীয় বিজ্ঞান দিৱস উদ্‌যাপনৰ লগতে প্ৰদৰ্শনী, বিজ্ঞানীসকলৰ সৈতে মত-বিনিময় তথা ৰাজ্যিক বিজ্ঞান বঁটা প্ৰদান অনুষ্ঠান অনুষ্ঠিত কৰা হয়। পঞ্চায়তী ৰাজ প্ৰতিষ্ঠানৰ দক্ষতা বিকাশৰ বাবে তেজপুৰত জিলা পৰ্যায়ত কৰ্মশালাৰ আয়োজন কৰা হয়। জিয়' টেগিং অৱ এছেট্‌ৰ বাবে ম'বাইল এপৰ ব্লক পৰ্যায়ত কৰ্মশালা বিশ্বনাথ চাৰিআলিত অনুষ্ঠিত কৰা হয়। আমিনগাওঁ, মাজুলী, কলিয়াবৰ, বঙাইগাঁও, ডিফু আৰু শিলচৰত ছটা নতুন তাৰকাগৃহ নিৰ্মাণৰ বাবে বিস্তৃত প্ৰকল্প প্ৰতিবেদন প্ৰস্তুত কৰা হৈছে। "মুখ্য মন্ত্ৰীৰ বিজ্ঞান দৰ্শন" আঁচনিৰ অধীনত তাৰকাগৃহ আৰু বিজ্ঞান কেন্দ্ৰসমূহত পৰিদৰ্শনৰ ব্যৱস্থা কৰা হ'ব। বিজ্ঞান শাখা থকা উচ্চতৰ মাধ্যমিক বিদ্যালয়সমূহত স্কুল প্লেন্ট ডাইভাৰচিটী চেন্টাৰ স্থাপনৰ পৰিকল্পনা কৰা হৈছে। ৰাজ্যত অচিৰেই ভুমুকি মাৰিবলগীয়া বিজ্ঞান আৰু প্ৰযুক্তিৰ প্ৰতিষ্ঠানসমূহৰ ভিতৰত উল্লেখযোগ্য হ'ল- ছাইন্স চিটি আৰু বায়'টেক পাৰ্ক। গুৱাহাটীৰ সমীপত টেপেছিয়াত ইতিমধ্যে ছাইন্স চিটিৰ নিৰ্মাণ কাৰ্য আৰম্ভ হৈছে। গুৱাহাটী বায়'টেক পাৰ্কৰ ক্ষেত্ৰত নিটি আয়োগ আৰু ৰাজ্য চৰকাৰৰ মাজত বুজাবুজিৰ চুক্তি স্বাক্ষৰ কৰা হৈছে। ইয়াৰ জৰিয়তে গুৱাহাটী বায়'টেক পাৰ্কত বিজনেছ এন্টাৰপ্ৰাইজ জ'ন স্থাপন কৰাৰ বাবে আৰম্ভণিৰ পৰা শেষলৈ সকলো কাৰ্যপৰিচালনা ব্যৱস্থাৰ দিহা কৰা হৈছে। গুৱাহাটী বায়'টেক পাৰ্কৰ ইনকিউবেছন চেন্টাৰৰ আধাৰশিলা আমিনগাঁৱত স্থাপন কৰা হয়।

সন্মানীয় সদস্যসকল, আপোনালোকে জানি সুখী হ'ব যে আসাম এনাৰ্জী ডেভল'পমেন্ট এজেন্সীয়ে শেহতীয়াকৈ অসমৰ প্ৰথমটো ওপঙি থকা সৌৰ প্ৰকল্প মৰিগাঁও জিলাৰ থানাগ'ৰাহ গাঁৱত স্থাপন কৰিছে। ইয়াৰ জৰিয়তে বানপানীৰ সময়তো স্থানীয় লোকসকলৰ বাবে শক্তিৰ যোগান অব্যাহত থাকিব।

**সচিবালয় প্ৰশাসন ঃ**

চৰকাৰী কাম-কাজত স্বচ্ছতা অনা, দক্ষতা বৃদ্ধি তথা নিকা কৰাৰ বাবে মোৰ চৰকাৰে ২০১৭ চনৰ মাৰ্চ মাহৰ পৰা জনতা ভৱনৰ সমগ্ৰ ৫৮ টা বিভাগতে ই-অফিচ (ফাইল ব্যৱস্থাপনা পদ্ধতি) আৰম্ভ কৰিছে। অসম সচিবালয়ৰ মহিলা কৰ্মচাৰীসকলৰ কল্যাণ আৰু সুৰক্ষাৰ বাবে ষ্টাফ বাছৰো ব্যৱস্থা কৰা হৈছে। জনতা ভৱনৰ খালী পদসমূহ পূৰণৰ বাবেও ব্যৱস্থা গ্ৰহণ কৰা হৈছে।

**সমাজ কল্যাণ ঃ**

শিশু আৰু মহিলা, বিশেষভাৱে সক্ষম ব্যক্তি, বয়োজ্যেষ্ঠ নাগৰিক আৰু আলৰ লোকসকলৰ কল্যাণৰ বাবে মোৰ চৰকাৰে বিভিন্ন আঁচনি ৰূপায়ণ কৰি আছে। মোৰ চৰকাৰে ইয়াৰ কৰ্মচাৰীসকলৰ বাবে তেওঁলোকৰ বৃদ্ধ পিতৃ-মাতৃ আৰু দিব্যাংগ ভাতৃ-ভগ্নীসকলৰ চোৱা-চিতা কৰাটো বাধ্যতামূলক কৰি অসম কৰ্মচাৰী পিতৃ-মাতৃৰ দায়বদ্ধতা আৰু জবাবদিহিতা নিৰীক্ষণ নিয়মাৱলী (প্ৰণাম) আইন প্ৰণয়ন কৰিছে। সমাজ কল্যাণ সঞ্চালকালয়ৰ ঠাইত মহিলা আৰু শিশুৰ উন্নয়ন সঞ্চালকালয় আৰু সামাজিক ন্যায় আৰু সবলীকৰণ সঞ্চালকালয় গঠন কৰা হ'ব। স্বচ্ছতা আৰু সু-প্ৰশাসনৰ অৰ্থে বিভিন্ন সামগ্ৰী ক্ৰয় আৰু সেৱাৰ বাবে ই-টেণ্ডাৰিং প্ৰক্ৰিয়াৰ ব্যৱস্থা কৰা হৈছে। কেইটামান নতুন পদক্ষেপৰ ভিতৰত উল্লেখযোগ্য হ'ল- মানসিকভাৱে বিকাৰগ্ৰস্ত (Mentally Retarded)শিশু/ ব্যক্তিৰ দক্ষতা বিকাশৰ বাবে শৈক্ষিক প্ৰতিষ্ঠান স্থাপন, কৰ্মৰত মহিলাৰ হোষ্টেল, মহিলাৰ হেল্পলাইনৰ ব্যৱস্থা আদি।

**ক্ৰীড়া আৰু যুৱ কল্যাণ ঃ**

মোৰ চৰকাৰ গুৱাহাটীক ভাৰতৰ ক্ৰীড়া ৰাজধানী তথা অসমক এক ক্ৰীড়া

ক্ষেত্ৰ হিচাপে গঢ়ি তোলাৰ সপোন বাস্তৱায়িত কৰিবলৈ প্ৰতিশ্ৰুতিবদ্ধ। এই দিশত সমগ্ৰ ক্ৰীড়া ব্যৱস্থাটোত এক পদ্ধতিগত পৰিৱৰ্তন অনাৰ অৰ্থ এক সংহত ক্ৰীড়ানীতিৰ খচৰা প্ৰস্তুত কৰা হৈছে। এই ক্ষেত্ৰত এলানি পদক্ষেপ হ'ল- যি সকল ক্ৰীড়াবিদে অলিম্পিক, এছিয়ান গেম্‌চ, কমনৱেলথ গেম্‌চত পদক লাভ কৰা আৰু অলিম্পিকৰ বিভিন্ন ক্ৰীড়া শাখাত বিশ্ব ছেম্পিয়নৰ খিতাপ লাভ কৰা সকলক চৰকাৰী চাকৰিৰ প্ৰথম আৰু দ্বিতীয় শ্ৰেণীৰ চাকৰিত প্ৰত্যক্ষ নিযুক্তিৰ সুবিধা। অৰ্জুন ভোগেশ্বৰ বৰুৱাৰ নামত এখন ক্ৰীড়া অকাডেমী স্থাপন কৰা হ'ব। অলিম্পিক ক্ৰীড়াৰ শাখাসমূহত ব্যক্তিগত অংশীদাৰসকলৰ জৰিয়তে ক্ৰীড়া একাডেমী স্থাপনত সহায় আগবঢ়োৱা হ'ব। উত্তৰ-পূব উন্নয়ন মন্ত্ৰালয় (DoNER) -ৰ সহযোগত মোৰ চৰকাৰে ডিব্ৰুগড়ৰ খনিকৰ গাঁৱত এটা অত্যাধুনিক বহু শাখাযুক্ত (Maltidiceiplinary) ক্ৰীড়া প্ৰকল্প স্থাপনৰ কাম আৰম্ভ কৰিছে। উত্তৰ পূব পৰিষদৰ (NEC) পুঁজিৰ দ্বাৰা একেধৰণৰ প্ৰকল্প লখিমপুৰৰ চাবতি আৰু কামৰূপ জিলাৰ শুৱালকুছিত আৰম্ভ কৰা হ'ব। মুখ্য মন্ত্ৰীৰ সমগ্ৰ গ্ৰাম্য উন্নয়ন যোজনাৰ অধীনত ৰাজ্যখনৰ ২১৯ টা উন্নয়ন খণ্ডৰ ৫০০ খন খেলপথাৰৰ উন্নয়ন সাধন কৰা হয়।

সন্মানীয় সদস্যসকল, আপোনালোকে ইতিমধ্যে জ্ঞাত যে মোৰ চৰকাৰে অলপতে গুৱাহাটীত সোতৰ বছৰৰ অনূৰ্দ্ধৰ ফিফা বিশ্বকাপ-২০১৭, আইবা বিশ্ব যুৱ মহিলা বক্সিং ছেম্পিয়নশ্বিপ ২০১৭ আৰু ৬৩ সংখ্যক ৰাষ্ট্ৰীয় স্কুল গেম্‌চ সফলতাৰে অনুষ্ঠিত কৰিছে।

**চাহ জনজাতি কল্যাণ ঃ**

চাহ জনজাতিৰ কল্যাণৰ বাবে মোৰ চৰকাৰে তেওঁলোকৰ শিক্ষা, দক্ষতা বিকাশ, সংস্কৃতি, সাহিত্য, স্বাস্থ্য আদিৰ ওপৰত গুৰুত্ব আৰোপ কৰিছে। জলপানি প্ৰদানৰ উপৰিও হাইস্কুল শিক্ষান্ত পৰীক্ষা আৰু উচ্চতৰ মাধ্যমিক পৰীক্ষাৰ প্ৰাৰ্থীসকলৰ বাবে বিশেষ শিক্ষাপ্ৰদান শ্ৰেণী (Tutorial Classes) ৰ ব্যৱস্থা কৰা হৈছে। লগতে, প্ৰথম বাৰৰ বাবে এই বৰ্ষত চাহ জনজাতিৰ ছাত্ৰ-ছাত্ৰীৰ বাবে

অসামৰিক সেৱাৰ পৰীক্ষাৰ কোচিং (Coaching) ৰ ব্যৱস্থা কৰা হৈছে। চাহ জনজাতি সম্প্ৰদায়ৰ ইঞ্জিনিয়াৰিঙৰ ছাত্ৰ-ছাত্ৰীৰ বাবে বিদেশত ইন্টাৰ্নশ্বীপ (Overseas Internship)ৰ সুবিধা প্ৰদানৰ আঁচনি এখন এই বৰ্ষত ৰূপায়ণৰ প্ৰক্ৰিয়া চলি আছে। চাহ বাগান এলেকাৰ কাষৰ চহৰসমূহত থকা ছাত্ৰাৱাস আৰু ছাত্ৰী নিৱাসসমূহ পৰ্যায়ক্ৰমে মেৰামতি কৰাৰ কাম হাতত লোৱা হৈছে। অসম দক্ষতা বিকাশ মিছনৰ সহযোগত দক্ষতা বিকাশ প্ৰশিক্ষণ কেন্দ্ৰসমূহক ৰাষ্ট্ৰীয় দক্ষতা অৰ্হতা গাঁথনি (National Skills Qualification Framework)ৰ লেখীয়াকৈ অসমত গঢ়ি তোলাৰ বাবে পদক্ষেপ হাতত লোৱা হৈছে। অসম চাহ কৰ্মচাৰী কল্যাণ পৰিষদৰ অধীনত বৃত্তিগত প্ৰশিক্ষণ প্ৰদানকাৰী সামূহিক কেন্দ্ৰসমূহক National Skills Qualification Frameworkৰ মাপকাঠীৰ আলমত মেৰামতি আৰু উন্নীতকৰণৰ পদক্ষেপ হাতত লোৱা হৈছে।

মাননীয় সদস্যসকল, মোৰ চৰকাৰে ২০১৭-১৮ বৰ্ষৰ পৰা প্ৰতি বছৰে চাহ জনজাতি সম্প্ৰদায়সমূহৰ প্ৰতিনিধিত্বৰে এখন ৰাজ্যিক পৰ্যায়ৰ সাংস্কৃতিক মহোৎসৱৰ আয়োজনৰ সিদ্ধান্ত গ্ৰহণ কৰিছে। সাংস্কৃতিক ঐতিহ্যৰ প্ৰসাৰৰ বাবে ৫০ খন ৰংগমঞ্চ নিৰ্মাণৰ এখন আঁচনি হাতত লোৱা হৈছে। চাহ জনজাতিসকলৰ ঐতিহ্য আৰু পৰম্পৰাৰ ওপৰত গ্ৰন্থও প্ৰকাশ কৰা হ'ব। মুখ্যমন্ত্ৰীৰ চাহ জনজাতিৰ ফুটবল টুৰ্ণামেন্ট আয়োজন কৰাৰ উপৰি মোৰ চৰকাৰে চাহ জনজাতি সম্প্ৰদায়ৰ ছাত্ৰ-ছাত্ৰীসকলৰ বাবে তিনিখন ফুটবল আৰু আৰ্চাৰী একাডেমী নিৰ্মাণৰ সিদ্ধান্ত গ্ৰহণ কৰিছে। দুৰাৰোগ্য ৰোগত আক্ৰান্ত ৰোগীসকলৰ বাবে বিত্তীয় সাহায্য আগবঢ়োৱা হৈছে। গুৱাহাটী চিকিৎসা মহাবিদ্যালয় চৌহদত চাহ জনজাতিৰ লোকসকলৰ বাবে ৰোগীৰ অতিথিশালা নিৰ্মাণৰ পৰিকল্পনা হাতত লোৱা হৈছে। ভাৰত চৰকাৰৰ 'উজালা' আঁচনিৰ অধীনত চাহ বাগানত বাস কৰা ৯৫,০০০ তকৈ অধিক পৰিয়াললৈ LED বাল্ব যোগান ধৰা হৈছে। ২০ খন চাহ বাগানত ক্ষুদ্ৰ পানী যোগান আঁচনি ৰূপায়ণৰ কাম হাতত লোৱা হৈছে। অসম চাহ কৰ্মচাৰী

ভৱিষ্যনিধি সংস্থাৰ অধীনত ১০ লাখ পঞ্জীয়নকৃত চাহ বাগানৰ শ্ৰমিকলৈ প্ৰধানমন্ত্ৰী সুৰক্ষা বীমা যোজনাৰ অধীনত প্ৰতিগৰাকী হিতাধিকাৰীলৈ ১২ টকাকৈ বীমাৰ প্ৰিমিয়াম প্ৰদান কৰাৰ এখন আঁচনি হাতত লোৱা হৈছে। লগতে ২০১৭-১৮ বৰ্ষত ১০০০ গৰাকী দিব্যাংগৰ প্ৰতিগৰাকীলৈ ১০,০০০ টকাকৈ এককালীন সাহায্য প্ৰদানৰ এখন আঁচনি হাতত লোৱা হৈছে।

২০১৭-১৮ বৰ্ষত চাহ জনজাতি সম্প্ৰদায়ৰ প্ৰায় ৭০ টা কৃষক গোটলৈ পাৱাৰ টিলাৰ প্ৰদানৰ কাম হাতত লোৱা হৈছে। ২০১৭-১৮ বৰ্ষত চাহ জনজাতি সম্প্ৰদায়ৰ ১০০০ টা মহিলা আত্ম সহায়ক গোটৰ প্ৰতিটোলৈকে ২৫,০০০ টকাৰ এককালীন সাহায্য প্ৰদান কৰিবলৈ লোৱা হৈছে। ২০১৭-১৮ বৰ্ষত চাহ জনজাতি সম্প্ৰদায়ৰ ১১ গৰাকী শ্বহীদৰ পৰিয়ালৰ প্ৰতিটোলৈকে তেওঁলোকৰ চৰম ত্যাগৰ প্ৰতি সন্মান জনাই ৫ লাখ টকাকৈ বিত্তীয় সাহায্য আগবঢ়োৱা হৈছে।

**ৰূপান্তৰ আৰু উন্নয়ন ঃ**

মোৰ চৰকাৰে বহনক্ষম উন্নয়নৰ লক্ষ্যসমূহৰ লাভসমূহৰ প্ৰতি স্বীকৃতি জনাই সেইসমূহ গ্ৰহণ কৰিছে। জ্ঞানৰ পৰিসৰৰ উন্নীতকৰণৰ বাবে UNDP, UNICEF আৰু WHO কে ধৰি ৰাষ্ট্ৰসংঘৰ সৈতে অংশীদাৰিত্ব গঢ়ি তোলা হৈছে। UNDP ৰ সহযোগত এটা উদ্ভাৱণ পৰীক্ষাগাৰো স্থাপন কৰা হৈছে।

মাননীয় সদস্যসকল, মোৰ চৰকাৰে ভাৰত চৰকাৰৰ Act East Policy ৰ পৰা সৰ্ব্বোচ্চ লাভ আহৰণ কৰিব বিচাৰে আৰু অসমক ASEAN ৰ বাবে দ্ৰুত পথ হিচাপে গঢ়ি তুলিব বিচাৰে। বাণিজ্য আৰু বিনিয়োগ, অৰ্থনীতি, শক্তি, যোগাযোগ, সংস্কৃতি ইত্যাদিত ক্ষেত্ৰসমূহত সম্পৰ্ক উন্নীতকৰণৰ বাবে ৰাজ্যিক উদ্‌ভাৱন আৰু ৰূপান্তৰ আয়োগে India Foundation, The Bangladesh Foundation for Regional Studies, আৰু Maulana Abdul Kalam Azad Institute of Assam Studies- ৰ সহযোগত ২০১৭ চনৰ জুলাই মাহত

গুৱাহাটীত অষ্টম ভাৰত-বাংলাদেশ বন্ধুত্বপূৰ্ণ আলোচনা অনুষ্ঠিত কৰিছিল। ৰাষ্ট্ৰসমূহৰ মাজত দ্বিপাক্ষিক সম্পৰ্ক স্থাপনৰ বাবে কিদৰে Act East Policy-য়ে বিকাশ আৰু সমৃদ্ধিৰ এক মাইলৰ খুঁটি হিচাপে কাম কৰিব পাৰে তাৰ ওপৰত এই আলোচনাত গুৰুত্ব আৰোপ কৰা হৈছে।

**পৰ্যটন ঃ**

পৰ্যটন খণ্ডৰ উত্থানৰ বাবে মোৰ চৰকাৰে অভিলাষী আঁচনি গ্ৰহণ কৰিছে। চৰকাৰৰ নতুন পৰ্যটন নীতিৰ লক্ষ্য হৈছে পৰ্যটনক অসমৰ এক বৃহৎ অৰ্থনৈতিক খণ্ডৰূপে গঢ়ি তোলা। অসম পৰ্যটনৰ বাবে এক মাল্টিমেডিয়া প্ৰচাৰ অভিযান আৰম্ভ কৰা হৈছে। এখন নতুন পৰ্যটন নীতি ঘোষণা কৰা হৈছে। ইয়াৰ লক্ষ্য হৈছে পৰৱৰ্তী কিছু বছৰত পৰ্যটকৰ আগমন ২ গুণৰ পৰা ৩ গুণলৈ বৃদ্ধি কৰা। অন্যান্য কিছু পদক্ষেপৰ ভিতৰত আছে পৰ্যটক স্থানসমূহত আন্তঃগাঁথনি উন্নয়ন, স্বদেশ দৰ্শন, প্ৰসাদ, পুণ্যধাম যাত্ৰা, অম্বুবাচী মেলা, আমাৰ আলহী আদি। কাৰ্বনমুক্ত আহ-যাহ সুনিশ্চিত কৰি মাজুলী আৰু চান্দডুবিত অভিনৱ বহনক্ষম পৰিৱেশ পৰ্যটনৰ পাইলট প্ৰকল্প ৰূপায়ণ কৰি থকা হৈছে।

**পৰিবহন ঃ**

চৰকাৰী ৰাজহ বৃদ্ধিৰ লগতে ৰাজ্যখনৰ জনসাধাৰণলৈ এক ক্ষীপ্ৰ, নিৰাপদ আৰু বহনসাধ্য পৰিবহন ব্যৱস্থা প্ৰদান কৰাৰ ক্ষেত্ৰত মোৰ চৰকাৰ প্ৰতিশ্ৰুতিবদ্ধ। ‘বাহন’ আৰু ‘সাৰথি’-ৰ দৰে ছফ্‌টৱেৰ উন্নীত কৰা হৈছে, যাৰ দ্বাৰা ই-পেমেন্টৰ জৰিয়তে ডিলাৰৰ স্থানতে বাহনৰ অন্‌লাইন পঞ্জীয়ণ কৰিব পৰা হৈছে। পথ সুৰক্ষা ব্যৱস্থাসমূহ কাৰ্যকৰীভাৱে ৰূপায়ণ কৰি থকা হৈছে। ৰাজ্যখনৰ আভ্যন্তৰীণ জল পৰিবহন খণ্ডটোৰ আন্তঃগাঁথনি আৰু সংস্থাগত ব্যৱস্থা আন্তঃৰাষ্ট্ৰীয় পৰ্যায়লৈ উন্নীত কৰিবৰ বাবে বিশ্ব বেংকৰ পুঁজিৰে ‘অসম আভ্যন্তৰীণ জল পৰিবহন প্ৰকল্প’টো ৰূপায়ণ কৰি থকা হৈছে। বিভিন্ন ক্ষমতাযুক্ত আধুনিক ষ্টীলৰ

জাহাজৰ সেৱা আৰম্ভ কৰা হৈছে। পৰ্যটনৰ প্ৰসাৰ তথা জীৱিকা সৃষ্টিৰ বাবে 'ৰিভাৰ টেক্সি'ৰ সেৱাও আৰম্ভ কৰা হৈছে। যান-বাহন অনা-নিয়া কৰিবলৈ ধুবুৰী আৰু হাটশিঙীমাৰীৰ মাজত ৰো-ৰো জাহাজৰ চলাচল আৰম্ভ কৰা হৈছে। অতিৰিক্ত ছখন ৰো-ৰো জাহাজৰ চলাচল শীঘ্ৰে আৰম্ভ কৰা হ'ব। ভাৰতীয় আভ্যন্তৰীণ জলপথ প্ৰাধিকৰণৰ সৈতে এক সংযুক্ত আঁচনিৰে যোগীঘোপাত এক মাল্টি-মডেল টাৰ্মিনেল স্থাপন কৰিবলৈ প্ৰস্তাৱ আগবঢ়োৱা হৈছে। নতুন ৫৬ টা ওপঙি থকা টাৰ্মিনেলৰ নিৰ্মাণ কাৰ্য আৰম্ভ হৈছে। নিমাতী, কমলাবাৰী, শিলঘাট, ধুবুৰী, বগীবিল, শিলচৰ আৰু যোগীঘোপা আদিত ১১০০ টাৰ্মিনেল উন্নয়ণৰ কাম হাতত লোৱা হ'ব। পাণ্ডুত থকা বন্দৰটো জাহাজ নিৰ্মাণ আৰু মেৰামতিৰ সা-সুবিধাৰে উন্নীত কৰি তোলা হ'ব। অসম ৰাজ্যিক পৰিবহন নিগমে গুৱাহাটীৰ খানাপাৰাত মিনি আই.এছ.বি.টি. নিৰ্মাণ, মাজুলীৰ বাছ আস্থান ভৱনটোৰ উন্নয়ণ, তেজপুৰত আই.এছ.বি.টি. নিৰ্মাণ আৰু আন কেইবাটাও বাছ আস্থান তথা বন্দৰৰ প্ৰসাৰৰ দৰে আন্তঃগাঁথনি উন্নয়ণমূলক প্ৰকল্পসমূহ আৰম্ভ কৰিছে।

মাননীয় সদস্যসকল, আপোনালোকে জানিবলৈ পাই সুখী হ'ব যে আমাৰ ৰাজ্যখনৰ পৰিবহন তথা জীৱিকাৰ এক গুৰুত্বপূৰ্ণ ব্যৱস্থা, গাঁৱলীয়া নাওসমূহক সহযোগিতা আগবঢ়োৱা আৰু সেইসমূহৰ আধুনিকীকৰণৰ বাবে " জীৱন ডিঙা" নামেৰে এখন উদ্‌ভাৱনীমূলক আঁচনি গ্ৰহণ কৰিবলৈ সিদ্ধান্ত লৈছে।

**ভৈয়াম জনজাতিৰ কল্যাণ আৰু পিছপৰা শ্ৰেণী ঃ**

মোৰ চৰকাৰে ৰাজ্যখনৰ অনুসূচিত জাতি, অনুসূচিত জনজাতি( ভৈয়াম) আৰু অন্যান্য পিছপৰা শ্ৰেণীৰ জনসাধাৰণৰ উন্নীতকৰণৰ বাবে বিভিন্ন কল্যাণমূলক আঁচনি আৰু প্ৰকল্প ৰূপায়ণ কৰিছে। স্ব-নিয়োজন, গুণগত শিক্ষা, স্বাস্থ্য সেৱা, আন্তঃগাঁথনি উন্নয়ন আৰু আৰ্থ সামাজিক উন্নয়নৰ বাবে বিভিন্ন আঁচনি হাতত লৈছে। অনুসূচিত জাতি, অনুসূচিত জনজাতি আৰু অন্যান্য পিছপৰা শ্ৰেণীৰ ছাত্ৰ-ছাত্ৰীৰ বাবে প্ৰাক-প্ৰৱেশিকা আৰু প্ৰৱেশিকোত্তৰ জলপানি প্ৰদান কৰা হৈছে। ৰাজ্যখনৰ অনুসূচীত

জাতি আৰু অনুসূচীত জনজাতিৰ লগতে আন নিবনুৱা যুৱক-যুৱতীসকললৈ স্ব-নিয়োজনৰ বাবে দক্ষতা উন্নয়নৰ বিভিন্ন প্ৰশিক্ষণ প্ৰদান কৰা হৈছে।

ৰাজ্যখনৰ নিজা অগ্ৰাধিকাৰ ভিত্তিক উন্নয়নী পুঁজি আৰু ষষ্ঠ অনুসূচীৰ বি.টি.এ.ডি এলেকাৰ উন্নয়নমূলক কামৰ বাবে ধাৰ্য্য কৰা পুঁজিৰ জৰিয়তে ভালেখিনি কাম সম্পূৰ্ণ কৰা হৈছে। জনজাতি উপ-পৰিকল্পনাৰ জৰিয়তে মোৰ চৰকাৰে জনজাতি এলেকাৰ উন্নয়নৰ প্ৰতি বিশেষ মনোযোগ প্ৰদান কৰি আহিছে আৰু অনুসূচিত জাতি উপ-পৰিকল্পনাৰ জৰিয়তে অনুসূচিত জাতিৰ লোকসকললৈ সুফল আগবঢ়াই আহিছে।

**জলসম্পদ ঃ**

NABARD-RIDF ৰ অধীনত মোৰ চৰকাৰে ২০১৭-১৮ বৰ্ষত ৪৮ খন আঁচনি হাতত লৈছে। বান ব্যৱস্থাপনা আৰু আন্তঃগাঁথনি উন্নয়ন আঁচনি ২০১৭-১৮ বৰ্ষৰ ৰাজ্যিক পৰিকল্পনাৰ অধীনত আৰম্ভ কৰা হৈছে। সকলোবোৰ আঁচনি ৰূপায়ণৰ প্ৰক্ৰিয়া চলি আছে। মোৰ চৰকাৰে বিশ্ব বেংকৰ দ্বাৰা সাহায্য প্ৰাপ্ত অসম সংহত নদী অববাহিকা পৰিচালনা প্ৰকল্পৰ কাম আৰম্ভ কৰিছে। ব্ৰহ্মপুত্ৰ নদীৰ জলপথেৰে কৰা পৰিবহন সুগম কৰি তুলিবলৈ এই প্ৰকল্পৰ ৰূপায়ণে যথাযথভাৱে নদীখনন কামটো সম্পন্ন কৰিব বুলি ধাৰণা কৰা হৈছে। ড্ৰেজাৰ ক্ৰয় কৰাৰ বাবে এটা প্ৰস্তাৱত অনুমোদন জনোৱা হৈছে। ড্ৰেজাৰে উলিয়াই অনা সামগ্ৰীৰ ব্যৱহাৰৰ দ্বাৰা ব্ৰহ্মপুত্ৰৰ দুয়োপাৰে দুটা এক্সপ্ৰেছ হাইৱে নিৰ্মাণ কৰিবলৈ প্ৰস্তাৱ কৰা হৈছে। ২০১৭ ৰ বান পানীৰ ফলত বিধস্ত হোৱা মথাউৰিক পুনৰ প্ৰতিষ্ঠা কৰিবলৈ ২০১৭-১৮ বৰ্ষত SDRF -ৰ অধীনত ৯৬ খন আঁচনি মঞ্জুৰ কৰা হৈছে আৰু এই আঁচনি ৰূপায়ণৰ প্ৰক্ৰিয়া আৰম্ভ কৰা হৈছে। DRSC- ৰ অনুমোদনৰ মৰ্মে গড়াখহনীয়া সমস্যাটো মোকাবিলা কৰাৰ বাবে মুঠ বাৰ্ষিক SDRF আবণ্টনৰ ১০% ধাৰ্য্য কৰা হৈছে।

**সংখ্যালঘু উন্নয়নৰ কল্যাণ ঃ**

মোৰ চৰকাৰে ৰাজ্যখনৰ স্বীকৃতিপ্ৰাপ্ত ধৰ্মীয় সংখ্যালঘু, ভাষিক সংখ্যালঘু আৰু চৰ অঞ্চলসমূহৰ কল্যাণৰ বাবে বহু সংখ্যক কল্যাণমূলক আঁচনি ৰূপায়ণ কৰি আছে। ২০১৭-১৮ বৰ্ষত এই আঁচনিসমূহৰ অন্তৰ্গত কাম-কাজসমূহৰ ভিতৰত আছে চৰ অঞ্চলৰ জনসাধাৰণৰ লাভৰ বাবে ট্ৰেক্টৰ, ই-ৰিক্সা, তাৰা হেণ্ডপাম্প, সৌৰ হোম লাইট বিতৰণ। কেন্দ্ৰীয় সাহায্যপ্ৰাপ্ত বহু খণ্ডীয় উন্নয়ণ কাৰ্যসূচীৰ অধীনত মোৰ চৰকাৰে ৰাজ্যখনৰ ২১ খন সংখ্যালঘু অধ্যুষিত জিলাত ২১ খন আদৰ্শ আৱাসিক বিদ্যালয় নিৰ্মাণৰ কাম হাতত ল'ব। সংখ্যালঘু ছাত্ৰ-ছাত্ৰীসকলৰ লাভৰ অৰ্থে প্ৰাক-প্ৰৱেশিকা আৰু প্ৰৱেশিকোত্তৰ জলপানিৰ আঁচনিসমূহ অব্যাহত আছে।

**মাননীয় সদস্যসকল**, মই মোৰ চৰকাৰখনৰ নীতি আৰু কাৰ্যসূচীসমূহ দাঙি ধৰিছো। এইবোৰ ৰূপায়ণ কৰিবলৈ মোৰ চৰকাৰ বদ্ধপৰিকৰ। ৰাজ্যখনৰ সৰ্বাংগীন উন্নয়ন আৰু অসমৰ সকলো শ্ৰেণীৰ ৰাইজৰ কল্যাণৰ বাবে এইক্ষেত্ৰত সহযোগ আগবঢ়াবলৈ মই এই পৱিত্ৰ সদনক অনুৰোধ জনাইছো।

**জয় আই অসম**

**ভাৰত মাতা কি জয়।**